# Assam Legislative Assembly Debates

## OFFICIAL REPORT

TENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FOURTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## WINTER SESSION

VOLUME III

### No. 2

The 8th , December 1970

1988

PRINTED AT THE PAPLOO PRINTERS
JORHAT

# Assam
# Legislative Assembly Debates

## OFFICIAL REPORT

WINTER SESSION

VOLUME III

NO. 2

The 8th December, 1970

**Proceedings of The Tenth Session of the Assam Legislative Assembly assembled after the Fourth General Elections under the Sovereign Democratic Republican Constitution of India**

The Assembly met in the Assembly Chamber, Shillong, at 10 A.M. on Tuesday, the 8th December, 1970.

PRESENT

Shri Mohi Kanta Das, M. A., B. L., Speaker, in the Chair, Fourteen Ministers, Seven Ministers of State, One Deputy Minister and Fifty five Members.

## STARRED

## QUESTIONS AND ANSWERS

( To which oral answers were given )

**Re : Starred Question No. 67 relating to Messrs Assam Canvas Craft Industries**

Shri Mahendra Mohan Choudhury : (Chief Minister) Sir, it may be taken up tomorrow because I could not collect the information yesterday.

**Re : Tenders for operation of Chapakamar Stone and Sand Quarry**

Shri Dharanidhar Choudhury asked.

*71. Will the Ministe -in-cha ge of Forests be pleased to State—

(a) Who are the tenderers for operation of Chapakamar Stone and Sand quarry for the current year and what are the quoted rates ?

b) The name of the person with whom the quarry has been settled and when ?

c) Whether it is a fact that one Shri Kumud Chandra Das is a tenderer and if so, what are his antecedents ?

Shri Ranendra Basumatari (Minister, Forests) replied :

71. (a)- The following persons submitted tenders for

Chapakamar-Khagrabari Sand and Stone Mahal for 1969-71—

| Name of tenderer | Tendered amount Rs. P. |
| --- | --- |
| (1) Shri Babul Ch. Das .... .... | 1,20,130.00 |
| (2) Secretary, Barpeta Contractors Commercial and Industrial Co-op. Society Ltd. | 1,01,111.11 |
| (3 Shri Kumud Ch. Das ... .... | 91,121.00 |
| (4) Shri Pran Krishna Das .... ... | 83,112·00 |
| (5) Shri Jogendra Nath ... ... | 81,702·00 |
| (6) Shri Rajendra Nath .... .... | 81,202·00 |
| (7) Shri Pabitra Nath Das ... .... | 81,202·00 |
| (8) Shri Jibodhan Das ... ... | 79,900·00 |
| (9) Shri Ananda Ram Das ... .... | 35,002·00 |
| (10) Shri Subodh Ch. Patwari .... | 11.111·00 |

(b)—The Mahal has been finally settled on review with Shri Kumud Ch. Das on 19th November 1970.

(c)—Yes, Shri Kumud Chandra Das it a tenderer and he is a regular Forest Contractor.

Shri Dharanidhar Choudhury : Whether it is a fact that Shri Kumud Chandra Das was a defaulter ones ?

Shri Ranendra Basumatari : There is no record before us to show that Shri Kumud Chandra Das was ever a defaulter. The report submitted by the D.F.O. is that he is a regular tenderer and that he is an old Mahalder.

Shri Dulal Chandra Barua : Before approving his contract whether any enquiry was made to ascertain as to whether he is a defaulter or not ?

Shri Ranendra Basumatari : This matter was not at all contested at the time of hearing. As such the Settling authority had no scope to know that this Kumud Chandra Das who has got settlement is a defaulter.

Shri Dulal Chandra Barua : Whether it is a fact that the said contractor with whom this Mahal has been settled had to pay to Government Rs. 20,000/- in connection with another contract settled with him earlier'

Shri Ranendra Basumatari : Sir, I have already stated that in the reports submitted by the D.F.O. and the Conservator of Forests there is no such mention

Shri Atul Chandra Goswami : যেতিয়া কোনো বা এজন মানুহক contract দিয়া হয় [tender লোৱা হব যেতিয়া তেওঁৰ বিষয়ে সমষ্ঠ সন্তেদ জনাবৰ কাৰণে ব্যৱস্থা লোৱা হয়নে ?

Shri Ranendra nath Basumatari : সকলো সন্তেদ লোৱা হয়।

বিশেষকৈ D.F,O. আৰু conservator ৰ report ৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। আৰু চৰকাৰী লেভেলত contract ৰ point উলিয়াই enquiry কৰিব লগা হয়।

Shri Giasuddin Ahmed : Sir, what are the principles followed for accepting or rejecting tenders?

Shri Ronendra Basumatari : Generally, the highest tender is given settlement; but in this particular case the highest tenderer Shri Babul Chandra Das was not given settlement because he has later on backed out; he did not appear at the scene, and on scrutiny of the tender it was found that he did not file any financial soundness certificate. Submission of financial soundness is a mandatory provision as per Rule 6 Sub- rule IV clause 5.

Shri Dulal Chandra Barua : Sir, the Minister has stated that his case was recommended by the D.F.O. and the Conservator of Forests, and in that recommendation it has not been mentioned that he is a defaulter. After receiving this question whether any enquiry was made from the side of the Government to ascertain as to whether he is a defaulter ?

Shri Ranendra Basumatari : Final settlement was given before this question was received. However, we received one petition from one Shri Pran Krishna Das who is one of the lowest tenderers; but he

was not a party to the hearing and as such his petition could not be taken cognizance of. Even then in the order that was passed it was made a condition precedent that if Shri Kumud Chandra Das is ever found to be a defaulter to the tune of Rs. 21,000/ as alleged by Shri Pran Krishna Das who was not a party to the hearing, unless that amount is cleared no final settlement should be given.

(Starred Question No. 72 was not put and replied to as the hon. Questioner was absent)

### Re : Bridge at Lengtichinga

Shri Kandarpa Narayan Banikya asked :

*73. Will the Minister-in-charge of Public Works Department ( Roads and Buildings ) be pleased to state -

(a) Whether Government consider it necessary that a bridge should be constructed at Lengtichinga ferry crossing under Srijangram A.P. in Goalpara Subdivision ?

(b) If so, the steps taken by Government in this regard ?

Shri Altaf Hossain Mazumder [ Minister, Public works Department ( Roads and Buildings )] replied :

73. (a)—No.

(b) —Does not arise.

Shri Kandarpa Narayan Banikya : Does the Minister agree that this is the most important ferry-ghat in the Goalpara Subdivision.

Shri Altaf Hussain Mazumdar : I am sorry, Sir, I cannot take it as the most important.

Shri Kandarpa Narayan Banikya : May I know the number of men, animals and vehicles ferried across this ghat ?

Shri Altaf Hossain Mazumdar : Sir, at the moment I do not have the exact figures, but the broad fact is that this is a minor ferry-ghat, and we do not see any justifiable reasons to put any bridge at the moment.

Shri Prabhat Narayan Choudhury : Whether Government have under contemplation construction of bridges over rivers on toll system so that there may be ultimate economy on the part of the P.W.D. ? Do Government propose to draw up any scheme for construction of some toll bridges which will bring some income to the Department and convenience to the people ?

Shri Altaf Hossain Mazumder : As a matter of fact this was suggested from time to time and there was also opposition from the public in some cases.

As this is a matter of policy the suggestion of the Hon'ble Member will be borne in mind.

Shri Kandarpa Narayan Banikya : Whether it is a fact that this is the shortest route to connect Abhayapuri with Barpeta and, if this is so, whether the Government does not consider that this bridge should be constructed in the near future ;

Shri Altaf Hossain Mazumdar : Sir, bridges should be put up in all ferries for speedier communication and it is Government's policy to bridge all the ferries ultimately everywhere. But at the moment due to financial position and considering the comparative improtance of ferries it will not be pos ible for Government to do anything about this bridge.

Shri Giasuddin Ahmed : The Hon'ble Minister said that it is not necessary that a bridge should be constructed at Lengtichinga ferry crossing. May I know why ?

Shri Altaf Hossain Mazumdar : I did not say that. What I said was that all ferries should be abolished ultimately for speedier communication. But at the moment considering the fund position and the priorities we consider this particular bridge not necessary.

Shri Gaisuddin Ahmed : What is the answer of the

Hon' ble Minister ? Does he mean to say that this bridge is not necessary or the Government cannot take it up because of financial difficulty ?

Shri Altaf Hussain Mazumdar : As I have said, wherever there is ferry crossing, bridges are more or less necessary for speedier communication. But considering the financial position and the comparative importance of this ferry crossing, it is not possible at the moment to construct a bridge there.

Shri Atul Chandra Goswami : যিহেতু প্ৰশ্নকৰ্ত্তাজন সিফাললৈ গ'ল সেই কাৰণেই তেখেতক সন্তুষ্ট ৰাখিবৰ কাৰণেই দলংখন দিয়াৰ কথা চৰকাৰে ভাবিছে নেকি ?

Shri Altaf Hossain Mazumdar : The hon' Member has come over to this side on being convinced about the policy pursued by this party. This has got no connection with this matter.

## Re : Sibsagar Government M.V. School Building

Shri Promode Chandra Gogoi asked :

*74. Will the Minister-in-charge of Public Works Department (Roads and Building) be pleased to State—

(a) Whether construction of the Sibsagar Govern-

ment M.V. School Building will be completed within the current financial year ?

(b) The reasons for the delay in completion of the construction of the M.V. School Building ?

(c) The Department responsible for the delay ?

Shri Altaf Hossain Mazumder [Minister, Public Works Department (Roads and Buildings) replied :

74. (a)& (b)—No. In view of the Government decision to stop Non-plan Capital Expenditure the Project had to be kept pending.

(c) Does not arise.

Shri Promode Chandra Gogoi . অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ (a) আৰু (b) ত কৈছে যে এইটো সম্ভৱপৰ নহয় । কাৰণ শিৱসাগৰৰ চৰকাৰী M.V. স্কুলটো নিৰ্মাণৰ কাৰণে ১৯৬৭-৬৮ চনতে বাজেটত ধৰা হৈছিল । আৰু ১৮৬৮ ৬৯ চনটো বাজেটত ধৰা হৈছিল । এইদৰে বাজেটত থকাৰ কাৰণেই বিভিন্ন ঠিকাদাৰক দিয়া হৈছিল আৰু কাম আৰম্ভ কৰা হৈছিল । আৰু হঠাৎ বন্ধ কৰি দিয়াৰ ফলত স্কুল ঘৰৰ নিৰ্ম্মানৰ কামো বন্ধ হল আৰু ঠিকাদাৰকো চৰকাৰে লোকচান দিব লাগিব । বিশেষকৈ এই স্কুল ঘৰৰ অৱস্থা বেয়া হোৱাৰ কাৰণে আৰু চৰকাৰৰ বাজেটত provision থকাৰ কাৰণে এই স্কুল ঘৰটো পুনৰ আৰম্ভ কৰাৰ কথা চৰকাৰে বিবেচনা কৰিবনে ?

Shri Altaf Hossain Mazumder : Sir, as I have already said, so far as the P.W.D. is concerned, we went ahead with preliminary works, but as the Finance Department laid down a policy that all non-plan

capital expenditure should be stopped, this work was kept pending.

Shri Dulal Chandra Barua : But meanwhile this should be allowed to go to the dogs —is that the policy ? May I know why the Government is neglecting the educational insti tutions in this way ? Do not the Government consider that construction of damaged school buildings should get the highest priority ?

Shri Altaf Hossain Mazumdar : About educational buildings, the Education Department is giving due attention, but in view of the financial difficulty the Finance Department has come up with a direction for temporary stoppage of non-plan works and on their instructions we have stopped it.

Shrs Dulal Chandra Barua : When budget provision is there, what is the difficulty on the part of the Department to proceed with this work.

Shri Altaf Hossain Mazumdar : As Finance has directed us, this has been kept pending.

Shri Promode Chandra Gogoi : তেখেতে কৈছে যে non-planned Expenditure ৰ কমোৱা হৈছে। এই কাম যেতিয়া বন্ধ কৰিলে সেই সময় চোৱাৰ পৰা non Planned Expenditure ত কোনো ঘৰ P.W.D. এ কৰা নাইনেকি ?

Shri Altaf Hossain Mazumdar : Sir, after this limi-

tation was placed Finance had to review certain cases and I know of one or two hospitals.

Shri Dulal Chandra Borua : মই এটা কথাৰ কাৰণে বিত্তমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আৰ্কষন কৰিব খুজিছো যে Educational Institution ৰ সম্পৰ্কে অনান্য বিভাগতকৈ অলপ Liberal চকুৰে চোৱাৰ কথাটো বিবেচনা নকৰেনে? এই ক্ষেত্ৰত E.&.D. বিভাগত লাখ লাখ টকাৰ ক্ষতি হোৱা স্বত্বেও তাৰ কাম চৰকাৰে চকু মুদি চলাই আছে। গতিকে বিত্তমন্ত্ৰী ডাঙৰীয়াই ৰাজ্যখনৰ শিক্ষানুস্থান বিলাকৰ ভঙা-চিঙা ঘৰ বিলাকৰ নিৰ্ম্মানৰ ক্ষেত্ৰত Liberal দৃষ্টি দিবনে?

Shri Kamakhya Prasad Tripathy : Finance বিভাগে সকলোকে Liberal চকুৰে চায়। কিন্তু এই ক্ষেত্ৰত সাময়িক টকাৰ অভাৱত হয়তো এই ব্যৱস্থা লৈছে।

Shri Promode Chandra Gogoi : বিত্ত বিভাগে যিটো হুকুম দিছিল সেইটো যোৱা বছৰৰ বাজেটৰ আগতে দিছিল। আকৌ যোৱা বাজেটত টকাও ধৰা হৈছিল কিন্তু যেতিয়া বিত্ত বিভাগে ঘৰ নিৰ্ম্মান বন্ধ কৰিলে তেতিয়া P.W.D. বিভাগে স্কুল ঘৰ বিলাকৰ নিৰ্ম্মানৰ কামো বন্ধ কৰি দিলে। আনহাতে P.W.D. ত যি বিলাক ঘৰ যেনেকৈ মৰাণৰ Inspection বাংলাৰ ঘৰটো বহুত টকা খৰচ কৰিলে। দুখৰ বিষয় অন্য অনুষ্ঠানৰ কাম কৰা নাই। গতিকে ১৯৬৮ চনৰ পৰা বাজেটত থকা স্বত্বেও এই স্কুল ঘৰটো কাম কিয় বন্ধ কৰিব, যিহেতু বিশেষকৈ এই স্কুল ঘৰটো একেবাৰে ভাঙি-চিঙি গৈছে সেই কাৰণে চৰকাৰে এই ঘৰটো নিৰ্ম্মাণৰ কাৰণে ব্যৱস্থা কৰিবনে ?

Shri Altaf Hussain Mazumdar : Sir, one point I want to clarify with regard to the Moran In-

spection Bungalow. No plan money was involved. Actually work on national highway is going on and for the convenience of works on this route it was found necessary to have an inspection bungalow at Moran.

Shri Giasuddin Ahmed : Is it due to unforeseen expenditure on account of so many Ministers that this project to be kept pending ?

Shri Kamakhya Prasad Tripaihy : It had nothing to do with Ministry-making.

(Starred Question No. 75 was not put and answered to as the hon. Questioner was absent)

## UNSTARRED QUESTIONS

To which answers were laid on the table

### Re : State halowa Sangha

শ্ৰীপিতচিং কোৱঁৰে সুধিছে :

৮। মাননীয় বনবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) হাতে হালোৱা সংঘৰ জন্ম আৰু উৎপত্তিৰ স্থল ক'ত ?

(খ) এই সংঘৰ সভ্যৰ সংখ্যা কিমান, আৰু তাৰ ভিতৰত মহিলা সভ্য কেইগৰাকী আৰু সভ্য সকলৰ নাম অনুগ্ৰহ কৰি জনাবনে ?

(গ) এই হাতে হালোৱা সংঘই আজিলৈকে কোন কোন ঠাইত মাটি লৈছে আৰু বন্দবস্তি পাই পট্টা পাইছে ?

(ঘ) সভ্য আৰু সভ্যা সকলে নিজে হাল বাইনে, কামলা ৰাখি খেতি কৰায় ?

(ঙ) হাতে হালোৱা সংঘৰ এজন মুখ্য সভ্য শ্ৰীফটিকচন্দ্ৰ ভূঞাই চিচুপানী বনাঞ্চলৰ মাটি সম্পৰ্কত কোনো গণ্ডগোল নকৰিবৰ বাবে কেইবাখনো চুক্তি আৰু বড়ো ৰাইজে মাটি এৰি যাবৰ কাৰণে নোটিচ দিয়া সচাঁনে ?

(চ) চৰকাৰে চিচুপানী ঘটনাৰ অন্তৰালত থকা কথাবোৰ উদঘাটন কৰিবৰ বাবে এটি উৰ্দ্ধতম কৰ্তৃপক্ষৰ দ্বাৰা তদন্ত কৰিবনে ?

শ্ৰীৰনেন্দ্ৰ বসুমতাৰী, বন বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিছে ঃ

৮। (ক)—হাতে হালোৱা সংঘৰ প্ৰচাৰ পত্ৰ বিলাকৰ পৰা জনা যায় যে ইয়াৰ উৎপত্তিৰ স্থান "উজনি লেংঠাত" পোঃ—বৰপথাৰ গোলাঘাট।

(খ)—জনা নেযায়।

(গ)—এই সংঘক কোনো ঠাইত মাটিৰ বন্দবস্তি দিয়া হোৱা নাই। কিন্তু উক্ত সংঘৰে প্ৰায় ১০০ জন মানুহে দৈয়াং বিজাভৰ অন্তৰ্গত তেহলিচাল খণ্ডত বেদখল কৰিছিল আৰু তেওঁলোকক ইতিমধ্যে উচ্ছেদ কৰা হৈছে।

(ঘ)—যেতিয়া এই বেদখল খণ্ডত খেতি কৰিছিল তেতিয়া তেওঁলোকৰ কিছুমানে নিজে খেতি কৰে আৰু কিছুমান নেপালীক কামত লগাই।

(ঙ)—চৰকাৰে ইয়াৰ কোনো সন্দেহ পোৱা নাই।

(চ)—প্ৰশ্ন নুঠে।

Shri Pitsing Konwar ঃ অধ্যক্ষ মহোদয়, মাননীয় বনবিভাগৰ U. Std.Q. No.8—(ক) আৰু (খ) ত যিটো উত্তৰ দিছে যে—"হাতে হালোৱা সংঘৰ প্ৰচাৰ পত্ৰ বিলাকৰ পৰা জনা যায় যে ইয়াৰ উৎপতি স্থান "উজনি লেংঠাত" পোঃ — বৰপথাৰ গোলাঘাট।" আৰু (খ) "জনা নাযায়"

তাৰ মানে তেখেতে একে, নাজানে আৰু জানিবৰো চেষ্টা কৰা নাই ; এই সংঘত কাম কৰা মহিলা সভ্যাৰ নাম কি আৰু ঠিকনা কি অনুগ্ৰহ আৰু যত্ন কৰি জনাবনে ?

Shri Ranendra Basumatari : অধ্যক্ষ মহোদয়, এই সম্পৰ্কে জানিবলৈ আমাৰ কোনো official Record নাই। প্ৰকৃত পক্ষে মহিলা সভ্যা আৰু পুৰুষ সভ্যা কিমান আছিল আমি জানিব পৰা নাছিলো, কিন্তু তেওঁলোকৰ যিবিলাক গোহাৰী তাৰ পৰাই এই কথাটো আমি গম পাইছিলো যে এই সংঘৰ উৎপত্তি স্থান উজনীৰ "লেংঠাত" আৰু পোঃ আঃ বৰপথাৰ গোলাঘাট।

Shri Mohidhar Pegu : অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই গ প্ৰশ্নৰ উত্তৰত কৈছে—" এই সংঘক কোনো ঠাইত মাটিৰ বন্দবস্তি দিয়া হোৱা নাই। কিন্তু উক্ত সংঘৰে প্ৰায় ১০০ জন মানুহে দিয়া ৰিজাৰ্ভৰ অন্তৰ্গত তেহলিচাল খণ্ডত বেদখল কৰিছিল আৰু তেওঁলোকক ইতি মধ্যে উচ্ছেদ কৰা হৈছে।"—কিন্তু ইয়াৰ পৃষ্ঠ ভূমিত কি কি আছে ! তেওঁবিলাকৰ উদ্দেশ্য আৰু লক্ষ কি আৰু তেওঁলোকে কি উদ্দেশ্যে সংঘ কৰিছে ?

প্ৰধান কৈ দেখা মতে সংঘৰ বাবে মাটি চৰকাৰেই দিছে আৰু তেওঁলোকক উচ্ছেদ কৰাৰ কথা কৈছে। তেওঁলোকে চৰকাৰলৈ প্ৰতিবেদন জনাইছিল। এই লোক সকলক পুনৰ বসতি দিয়াৰ ব্যৱস্থা চিন্তা কৰিবনে ?

Shri Ranendra Basumatari : অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যৰ লগত একমত। বিভিন্ন সম্প্ৰদায়ৰ মানুহ বিলাকে বিভিন্ন ঠাইত মাটি বেদখল কৰাটো অভ্যাসতেই পৰিণত হৈছে। আমাৰ conservator ৰ report মতে এইটো পাইছো যে তেহলিগাল খণ্ডত ১০০ জন মানুহে মাটি বেদখল কৰিছিল আৰু তাত বেদখল কৰি থকা ট্ৰাইবেল, বৰো জনজাতীয় সকলৰ লগত তেওঁলোকক এটা সংঘ কৰাৰ কথাটো চৰকাৰে জানে।

Shri Soneswar Bora : অধ্যক্ষ মহোদয়, এই হাতে হালোৱা সংঘৰ সভাপতি আৰু চেক্রেটৰী কোন অনুগ্রহ কৰি জনাবনে ?

Shri Ranendra Basumatari : এই সংঘৰ সম্পাদক শ্রীফটিক চন্দ্র ভূঞা। ইয়াৰ বাদে বিতং বিবৰণ জানিব পৰা নাই। কিন্তু ফটিক ভূঞাই নিজৰ লগত চপাকৰা গোহাৰী পত্র প্রচাৰ কৰাৰ কথা জানিব পৰা হৈছে।

Shri Soneswar Bora : মহোদয়, এই সংঘটো কোনো ৰাজনৈতিক দলৰ বা অনুস্থানৰ অন্তর্গত নে কি ?

Shri Ranendra Basumatari : এই সম্পর্কে আমি কোনো সঠিক খবৰ পোৱা নাই।

Shri Soneswar Bora : মহোদয়. এই হাতে হালোৱা সংঘই দৈয়াং ৰিজার্ভৰ তেলিশাল খণ্ডত বৰো কছাৰী সকলে বেদখল কৰি ধান খেতিৰ উপৰিও মৰাপাটৰ খেতি কৰি থকা অৱস্থাত সেই খেতিৰ কিছুমান সম্পদ চুৰ কৰি কাতি অনা কথাটো মন্ত্রী মহোদয়ে জানেনে ?

Shri Ranendra Basamatari : চাৰ, আমি ম'থো এইটোৱেই জানো যে ফটিক ভূঞা আৰু ট্রাইবেল লোক সকলৰ এই দল দুটাৰ মাজত মধুৰ সংঘট নথকাৰ বাবে সংঘটো সংঘটত পৰিণত হৈছে।

Shri Soneswar Bora : অধ্যক্ষ মহোদয়, ফটিক ভূঞাৰ ওপৰত গোলাঘাটৰ আদালতত ৪২০ ধাৰাত এটা গোচৰ তৰা কথাটো মন্ত্রী মহোদয়ে জানে নে ?

Shri Ranendra Bosumatari : চাৰ, এই বিষয়ে আমি চৰকাৰী সূত্রে একো সম্ভেদ পোৱা নাই। অৱশ্যে, মাজতে মাননীয় সদস্য সকলৰ কেইজন মানৰ সৈতে দৈয়াং ৰিজার্ভ প্রদর্শন কৰিবলৈ যাওঁতে এই কথাটো জানিবলৈ পাইছিলো।

Shri Soneswar Bora : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে

এই সংঘৰ সভাপতি আৰু চেক্ৰেটৰীৰ নাম নাজানো বুলি কৈছে। কিয় নাজানে মই কব পৰা নাই' এই হাতে হালোৱা সংঘৰ দুখন writing pad আছে। এখনত হাতে হালোৱা সৰ্ব্বোদয় সংঘ সভাপতি শ্ৰীনীলমনি ফুকন সম্পাদক শ্ৰীফটিক ভূঞা বি, এ, ৰ বুলি আছে। আন খনত যোৰহাট গোলাঘাট হাতে হালোৱা সৰ্বোদয় সংঘ। উপদেষ্টা শ্ৰীফটিক চন্দ্ৰ ভূঞা বি, এ (অনুমোদিত অসম কৃষক পৰিষদ বুলি আছে। কৃষক পৰিষদৰ সভানেত্ৰী শ্ৰীযুতা চন্দ্ৰ প্ৰভা শইকীয়া আৰু সম্পাদক অমূল্য দাস। এওঁ গুৱাহাটী নৈশ উচ্ছ ইংৰাজী স্কুলৰ প্ৰধান শিক্ষক। এই সকলোবোৰ কাগজ পত্ৰ চাই মন্ত্ৰী মহোদয়ে এই বিষয়ে ভালকৈ আমাক জনাবনে?

Shri Ranendra Basumatari : এই সম্পৰ্কে বিস্তৃত অনুসন্ধানৰ বাবে চেষ্টা কৰিম।

Shrimati Lily Sengupta : অধ্যক্ষ মহোদয়, এই হাতে হালোৱা সংঘৰ কোনখন ৰেজিষ্টাৰ আৰু চৰকাৰে কোনখনত সন্মতি দিছে।

Shri Ranedra Basumatari : কোনো খনক সন্মতি দিয়া নাই।

Shri Pitsing Konwar : মন্ত্ৰী মহোদয়ে যি উত্তৰ দিছে তাৰ পৰা জনা যায় যে তেখেতে কথাখিনি ভালকৈ নেজানে। এই কথাখিনি জানিবৰ বাবে মন্ত্ৰী মহোদয়ে তদন্ত কৰিবনে?

Shri Ranedra Basumatari : অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে এই সংঘত সংঘৰ্ষ হৈছে আৰু এই কথাটো বিবেচনা ধীন হৈ আছে। মোৰ ফালৰ পৰা পুনৰ অনুসন্ধান কৰাত প্ৰশ্নটো উঠিব নোৱাৰে বুলিহে ভাবিছো।

Shri Bhumidhar Barman : অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই যিটো উত্তৰ দিছে এই সংঘৰ মাজত নানা খেলি-মেলি থকা স্বত্বেও

পুনৰ অনুসন্ধান কৰাৰ আৱশ্যক নাই বুলি ভাবিছে। কিন্তু মাননীয় সদস্য ডাঙৰীয়াই এই সদনৰ মজিয়াত কিছুমান বিভিন্ন তথ্য উত্থাপন কৰিছে যেতিয়া মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰি জনোৱা উচিত হ'ব।

Shri Ranendra Basumatari ঃ অধ্যক্ষ মহোদয়, এই হাতে হালোৱা সংঘৰ উৎপত্তিৰ স্থান আদি সম্পৰ্কে তথ্য সংগ্ৰহ কৰাৰ বিশেষ আইন আছে। কিন্তু আমাৰ সদস্য ডাঙৰীয়াই যিটোৰ অনুসন্ধান কৰাৰ কথা কৈছে সেইটো কৰিবলৈ মই টান পাইছো। কিন্তু বৰা ডাঙৰীয়াই যিটো অনুসন্ধান কৰাৰ কথা কৈছে উৎপত্তিৰ স্থান সভাপতি চেক্ৰেটৰী আদিৰ কথা এইটো অনুসন্ধান কৰা বৰ টান নহব আৰু তাৰ বাবে চেষ্টা কৰিম।

Shri Atul Chandra Goswami : মাননীয় অধ্যক্ষ মহোদয়, ইয়াত হাতে হালোৱা সংঘৰ দুটা "পেদ"ৰ কথা আহিছে। তাত চৰকাৰে চিনি পোৱা মানুহো আছে। তাৰ ভিতৰত শ্ৰীমতী চন্দ্ৰ প্ৰভা শইকীয়ানী, শ্ৰীফটিক চন্দ্ৰ ভূঞা আৰু শ্ৰীনীলমনি ফুকনৰ নিচিনা মানুহে মানুহক মাটি দিম বুলি টকা লৈছে। এই কথা চৰকাৰে জানেনে ?

Shri Mahendra Mohan Choudhury ( Chief Minister ) শ্ৰীফটিক চন্দ্ৰ ভূঞাৰ বিৰুদ্ধে ৪২০ ধাৰা মতে গোলাঘাটত মোকৰ্দ্দমা চলি আছে। এই মোকৰ্দ্দমা শেষ হলেই আমি সদনত জনাম।

Shri Dulal Chandra Barua ঃ এই শ্ৰীফটিক চন্দ্ৰ ভূঞাই "হাতে হালোৱা" সংঘৰ হৈ টকা পয়ছা লৈ মাটি দিম বুলি ভূৱা দি আছে। সেই কাৰণে এই কথাটো সদন চলি থকা অৱস্থাতেই আমাক জনাব লাগে

Shri Mahendra Mohan Choudhury ; এই সংক্ৰান্তত ৪২০

থাৰাত গোলাঘাট court ত মোকৰ্দ্দমা চলি আছে। এই বিচাৰ শেষ হলেই জনাব পাৰিম ।

Shri Jalaluddin Ahmed : ছাৰ, মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে ১৯৬৬-৬৭ চনৰ পৰা ১৯৬৯-৭০ চনলৈকে ২৬,১০৬ খন দৰ্খাস্ত পোৱা হৈছে। তাৰ ভিতৰত ৮২২৪ খন Dispose কৰিছে আৰু ৬৪৩৮ খনৰ Settle হোৱা নাই বুলি কৈছে। কি কাৰণে ইমান দিনেও settle হোৱা নাই আমাক জনাব লাগে।

Shri Lakshmi Prasad Goswami : ছাৰ, এই বিলাকৰ তদন্ত চলি আছে আৰু তদন্ত শেষ নোহোৱাৰ কাৰণে কৰিব পৰা নাই।

Shri Jalauddin Ahmed : প্ৰথমতে এই কাগজবিলাক S.D.C. অফিচলৈ আহে; তাৰ পাছত varification কৰিবৰ কাৰণে মণ্ডললৈ যায়। এই দুই তিনিদিনত হোৱা কামটো আজি চাৰি বছৰে কিয় পৰি আছে ?

Shri Lakshmi Prasad Goswami : মই কৈছো যে ৪ বছৰৰ ভিতৰত ১৯৬৬-৬৭ চনৰ পৰা ১৯৬৯-৭০ চনলৈকে ৮২০০ দৰ্খাস্থ settle কৰা হল আৰু বাকী বিলাকৰ অনুসন্ধান হৈ আছে। সেই বিলাকৰ report আহিলেই settle কৰিব পৰা হব।

Shri Jalaluddin Ahmed : এই যে ৬৪৪৮ খন দৰ্খাস্থ settle হোৱা নাই এইয়া undisposed হৈ আছে নে Reject হৈ আছে।

Shri Lakshmi prasad Goswami : এই বিলাকৰো অনুসন্ধান চলি আছে। এই বিলাকৰ report আহিলেই settle কৰিব পাৰিম।

Shri Dulal Chandra Barua : এইটো কৰোতে আৰু কিমান বছৰ লাগিব ? এই ৬৪৩৮ টা case চৰকাৰে কিমান দিনৰ ভিতৰত শেষ কৰিব পাৰিব ?

Shri Mahendra Mohen Choudhury ; এই বিলাক চাৰিবছৰেই পৰি থকা নাই। ১৯৬৭ চনৰ পৰা ১৯৭০ চনলৈকে তদন্ত নোহোৱা বিলাকতহে এতিয়া তদন্ত চলাই থকা হৈছে।

Shri Jalaluddin Ahmed : আমাৰ বৰপেটা মহকুমাত চাৰিটা circle office আছে। তাৰ ভিতৰত বাঘবৰ circle ত কিমান undisposed অৱস্থাত আছে।

Shri Lakshmi Prasad Goswami : circle wise হিচাবটো মোৰ হাতত বৰ্ত্তমানে নাই। এতিয়া আমি circle wise হিচাবটো আনিবলৈ ইতিমধ্যে বিভাগক জনোৱা হৈছে যদিও বৰ্ত্তমান অধিবেশনতে দিব পৰা নহব।

Shri Giasuddin Ahmed : আমি জনামতে গাওঁ-পঞ্চায়তে মাটিহীন মানুহক মাটি দিছে; কিন্তু আমাৰ বৰপেটা মহকুমাত এই গাওঁ-পঞ্চায়তে মাটিহীন মানুহক মাটি দিছে নে ?

Shri Lakshmi Prasad Goswami : ছাৰ, প্ৰশ্নটো নতুন। কাৰণ গাওঁ-পঞ্চায়তে এই সিদ্ধান্ত লোৱা প্ৰায় ডুবছৰহে হৈছে আৰু সেই সিদ্ধান্তমতে য'ত মাটি দিব পাৰে দিছে।

Shri A.N. Akram Hossain : ছাৰ' মই ৰাজহ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিব খুজিছোঁ। যে যি বিলাক দৰ্খাস্ত circle অফিচত দিয়ে, সেই বিলাকৰ এটা নিৰ্দ্দিষ্ট সময় বান্ধি দিয়া উচিত যাতে তেওঁ বিলাকে সেইবিলাক নিৰ্দ্ধাৰিত সময়ৰ ভিতৰতে কৰি দিব পাৰে।

Shri Lakshmi Prasad Goswami : এইতো বিবেচনা কৰা হব।

## Re : Questions Position during the Session.

Shri Kamini Mohan Sarma : অধ্যক্ষ মহোদয়, আজি বহুদিনৰ

আগতে মই বহুতো প্ৰশ্ন দিছিলো কিন্তু আজিলৈকে তাৰ কোনো উমঘামেই নাই। আজি এতিয়া এমাহ হৈ গ'ল আৰু Question admit হোৱা copy টো মই আজিহে পাইছো। এতিয়া মোৰ প্ৰশ্নবোৰ কেতিয়াকৈ আহিব নে নাহিব তাক আশা কৰিবই নোৱাৰি। এতিয়া ভগবানৰ ওচৰত আমি আমাৰ প্ৰশ্নৰ কাৰণে প্ৰাৰ্থনাহে কৰিব লাগিব। মহোদয়, এইটো যদি এনেকুৱাই হৈ থাকে তেমেহলে অৰণ্য-ৰোদণৰ বাহিৰে একো নহব। অধ্যক্ষ মহোদয়, আজি আমি কোনো কথাই নোপোৱাৰ জৰিয়তে ডাঙি ধৰিব নোৱাৰো কাৰণ আজি যদি প্ৰশ্ন দিও তেন্তে প্ৰশ্নই নাহে। তেতিয়াহলে আমাৰ নিৰাপত্তা ক'ত? এইটো চিন্তা কৰিবলগীয়া বিষয় কাৰণ আমাক সকলো ফালৰ পৰা বঞ্চিত কৰা ব্যৱস্থা কৰিছেনেকি? কিন্তু আমাৰ যি খিনি অধিকাৰ আছে সেইখিনি গৰ্ব নকৰিব আৰু তাক পোৱাৰ বিহিত ব্যৱস্থা কৰিব লাগিব।

Shri Giasuddin Ahmed : A point of order, Sir, When serveral Members stand to speak the hon. Speaker is to call one of them and he will speak. I think that is the rule.

M. Moinul Haque Choudhury : In the last Budget Session I made a pointed complaint with regard to the answers to the questions, to the of effect that there were certain inconvenient questions which were never replied to in the House. Session after Session they were allowed to be lapsed without giving replies to the same. The Chief Minister was absent. The then Minister, Revenue, now our Chief Minister gave an assurance that he would look into it and remove the causes for the same. But, I am sorry to say, things have not improved

since then. Whenever, there is an inconvenient question that question is never replied to in the House nor even subsequently the replies are sent to the Hon. Members. I would like to give an example. In this House, in course of certain debate in the PWD a very pertinent question arose about one M/S Lahoty and Agarwal as to how many crores worth of contracts had been given to that particular firm in its name and in the name of individual partners of that firm and what was the cohnection between the high-ups in the PWD and the owners of this firm. The then Minister of State and now Minister of PWD (R&B) was then pleased to tellus that he did not know even which was that firm and its partners. I tabled a question and I understand from the districts long before the Session was over. Facts were collected as to how much works had been given to M/S Lahoty and Agarwal' in the name of their firm or in the names of their partners. There were charges made about bribery and corruption with regard to that firm. The Session was allowed to be lapsed and the question was never answered in the House nor a reply was sent to me. In this session also I repeated the same question. I want to know from the Chief Minister as to why that question of mine was not answered. I do not know in whose manipulation this question was allowed to be lapsed. An enquiry into the fate of

this question which is very re'evant would have given an inkling to the House as to how questions are evaded and for whose benefit, for what reason and in order to hide whose weakness! This time also it has come to me yesterday as its admited copy from your Secretariat. The last part of the question why that question was not replied in the last session was not answered. But unfortunately this part of the question has been knocked off. I do not know at whose instance and for whose benifit. May, I, therefore, suggest that you will hold an enquiry as to what were those questions; not only with regard to me but with regard to everyone of us; what are the nature of the questions and what are the personal involvement for which the Ministers have been evading the replies. This is a relevant matter to wnich I would like to draw your attention.

* Shri Debeswar Sarma : মই আজি ৪ বছৰে এটা প্ৰশ্ন দি হ্যাৰিছো। ইয়াত শুনিছো বহুতৰে দখল উচ্ছেদ কৰে। কিন্তু আহোম ৰজাৰ দিনৰ ধোদৰ আলিৰ ওপৰত মৰিয়নিৰ ওচৰত wood craft এ দেখ দেখকৈ wall সাজিছে। এই সম্পৰ্কে মই D.C. ক মুখেৰেও কৈছো আৰু প্ৰশ্নও দিছিলো। প্ৰশ্নোত্তৰত তাৰ step লম বুলি কৈছিল। কিন্তু step step তেই থাকিলে। আকৌ মাননীয় বিত্তমন্ত্ৰী মহোদয়ে এখন আইন কৰিছিল যে Local raw material লোৱা লোকক ৩০% rebate দিয়া হব। এতিয়া ত্ৰিপাঠী মহোদয়ে তেওঁলোকক rebate দিছেনে নাই? সি যি কি নহওঁক, এই wood craft এ ধোদৰ আলিত যি wall কৰিলে

*Speech not corrected

সেইটো আৰু নিচিগিল খেতিয়কক উচ্ছেদ কৰিব পাৰে। মযো এই ক্ষেত্ৰত Law and order বিশ্বাস কৰো। কিন্তু এই Birla ৰ ক্ষেত্ৰত কিয় Law and order নেখাটে ? এইটো বৰ ডাঙৰ কথা। ইয়াৰ পাছত যিদিনা ৪ ডিচেম্বৰৰ এখন Bulletin ৭ তাৰিখে u/secy, ৰ চহীত পাইছোঁ। এনেকুৱা এটা দিন আছিল এইটো মোৰ নিজৰ অভিজ্ঞতাৰ পৰাই মই কৈছোঁ যে আগৰ চেক্ৰেটৰী শ্ৰীঅন্নদা বৰুৱাই ৰাতি ঘৰলৈ নগৈও Bulletin বনাইছিল। আজি দুখেৰে সৈতে জনাওঁ যে আপুনি কেনেকৈ Assembly চলাইছে এইটো পৰমেশ্বৰহে জানে আৰু আপুনি জানে। কিয়নো ৪ তাৰিখৰ Bulletin ৫ তাৰিখে কিয় নিদিলে। আগৰ শ্ৰীঅন্নদা বৰুৱাৰ দিনত মানুহো তাকৰ আছিল, মটৰগাড়ীও নাছিল তথাপিও তেখেতে Bulletin তৈয়াৰ কৰিহে ঘৰলৈ যায়। ইয়াৰ ওপৰি আজি প্ৰশ্নৰ কথা আহিছে যে মাননীয় সদস্য সকলে যি কৈছে তাতকৈনো আৰু কি কম ? কাৰণ এই প্ৰশ্ন হৈছে এটা মৌলিক বিত্ত যিটোৰ দ্বাৰা সদস্যসকলে বহুতো কথা ৰাইজৰ অভাৱ অভিযোগ মন্ত্ৰীসকলৰ দৃষ্টি গোচৰলৈ আনিব পাৰে। মই মাত্ৰ এটা উদাহৰণহে দিছোঁ। সেইটো হৈছে আজি আমাৰ ৩০০ বছৰীয়া ৰজা দিনীয়া খোদৰ আলিৰ ওপৰত wood craft এ ডাঙৰ দেৱাল দিছে। ইমান মাটি থকা স্বত্বেও ৮/১০ হাত মাটি এই ৰাষ্টাৰ পৰা লৈছে।

Shri Rothindra Nath Sen : Mr. Speaker, Sir, In view of the observations made by the hon. Members, I have a very special submission to make. In the month of October last a very pertinent question was put by me involving the finances of the State in respect of Karimganj Municipal Board. I received an admitted copy of my questions from the Secretariat long ago. But, unfortunately the question has not come up for reply as yet. I have learnt just before the resumption of this Assembly-

bly that the Department has asked the SDO, Karimganj to collect the data and send them to Govt for forming a reply. The SDO, Karimgnj inspite of earnest efforts could not procure the information from the Municipal Office till today For reasons best known to them the Municipal Office is sitting over it. May I therefore, request to advise the Minister in-charge of LSC, that a telegraphic message be sent to the SDO Karimaganj to expedite submission of the required information so that the question comes up for reply during this Session:

*Shri Atul Chandra Goswami :

অধ্যক্ষ মহোদয়, এই প্ৰশ্নবোৰ সদস্যসকলে আগদিনাখনেই পোৱাৰ এটা নিয়ম আছিল আৰু "নৱ ভৱন" আদিত এই প্ৰশ্নবোৰ পায় কিন্তু Pinewood Hotel ত এই প্ৰশ্নবোৰ আগদিনাই আমি নেপাওঁ। অকল এই অধিবেশনতেই নহয় ইয়াৰ আগতেও যি অধিবেশন হৈছিল তেতিয়াও পোৱা নাছিলোঁ। ইয়াৰ উপৰি কোন বিভাগৰ ওপৰত কিমান প্ৰশ্ন সোধা হৈছে আৰু বিভাগৰ পৰা কিমান প্ৰশ্নৰ উত্তৰ পোৱা হৈছে—এইটো কেতিয়াও হোৱা নাই। বিশেষকৈ আমাৰ শিক্ষা বিভাগৰ Director অফিচৰ পৰা যিমান খিনি উত্তৰ আহিব লাগে সেই খিনি উত্তৰেই নাহে। আপুনি যদি আজি ১৯৬৭ চনৰ পৰা এই সংক্ৰান্তত তদন্ত কৰে তেতিয়াহলে দেখিব অকল শিক্ষা বিভাগেই সদস্যসকলৰ প্ৰশ্নৰ উত্তৰ নিদি থম থমকৈ বহি থাকে আৰু ফলত আমাৰ সদস্য সকলে কোনো প্ৰশ্নৰেই উত্তৰ নেপায়।

*Shri Bhubaneswar Barman :

ছাৰ, এই সংক্ৰান্তত বহুতোবাৰ আপোনাৰ জৰিয়তে সদনৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল যে—আমাৰ এই সন্মানিত Assembly ত যিখন Rule আছে, সেই খন অসমীয়া কৰিবলৈ কোৱা হৈছিল আৰু প্ৰতিশ্ৰুতিও দিছিল। কিন্তু

*Speech not corrected

আজি পৰ্য্যন্ত এই কাম হৈ নুঠিল। আপুনি আজি যি ঘোষণা কৰিছিল সেই ঘোষনা কাৰ্য্যকৰী নোহোৱা আজি চাৰি বছৰহৈ গল। এইটো বৰ লাজ আৰু পৰিতাপৰ কথা। প্ৰশ্ন অহা দূৰৰে কথা আজি আপুনি দিয়া সমিধানো কাৰ্য্যকৰী নহয়। সেই কাৰণে এই ক্ষেত্ৰত মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

Shri Kamini Mohan Sarna :

অধ্যক্ষ ডাঙৰীয়া মই Barman ডাঙৰীয়াক সমৰ্থন কৰিছো কাৰণ আমি বাৰে বাৰে অনুৰোধ কৰি আহিছোঁ যে আমাৰ অধিকাৰ খৰ্ব্ব নকৰিব। এই বিধান সভাত সকলো সদস্যৰে সমান অধিকাৰ আছে। সেই কাৰণে ১৯৭০ চনৰ ভিতৰতে এইখন অনুবাদ কৰি আমাক দিব লাগে।

*Shri Dulal Chandra Barua :

অধ্যক্ষ মহোদয়, মই চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰিব খুজিছো যে বহুতো সদস্যই বহুতো ধৰণৰ প্ৰশ্ন দিছিল আৰু সেই বিলাকৰ উত্তৰ সময়মতে আহি নোপোৱাত সকলোৰে আপত্তি দৰ্শাইছে। আজি বহুতো সময় থকা স্বত্বেও সময়মতে প্ৰশ্ন আহি নোপোৱাত আমি সকলো প্ৰশ্নৰ উত্তৰ পোৱা নাই; তাৰ ফলত যি বিলাক বিশেষ লাগতিয়াল প্ৰশ্ন সেইবিলাকৰ প্ৰশ্ন নহাৰ বাবে আলোচনা আমি কৰিব নোৱাৰিলো আৰু তেখেত সকলেও উত্তৰ দিব নোৱাৰিলে। এই বিধান সভাৰ সময়তে যদি আমি প্ৰশ্ন বিলাক আলোচনা কৰিব নোৱাৰো তেতিয়াহলে পাছত ইয়াৰ কোনো মূল্য নাথাকিব। উদাহৰণ স্বৰূপে বহুতো ধৰণৰ বহুতো প্ৰশ্ন মযেই দিছিলোঁ। এইটো Adjourned Session এনে অৱস্থাৰ আমি যদি প্ৰত্যেক দিনে কমেও ১০ টা প্ৰশ্নৰ কথা আলোচনা কৰিব পাৰো তেন্তে ভাল হয় আৰু House ৰো লাভবান হয়। কিন্তু তাৰ পৰিবৰ্ত্তে এতিয়া ইয়াত আছে বিধান সভাৰ সচিবালয়ৰ হেমাহী।

অধ্যক্ষ মহোদয়, আপুনি এই বিষয়ে সতৰ্কতাৰে চকু দিলে ভাল হয় আৰু মই চৰকাৰ আৰু মূখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে আমাৰ সদস্য সকলে সকলো প্ৰশ্নৰেই পৰিস্কাৰ উত্তৰ পায়।

আমাৰ সদস্য সকলে কেতিয়া প্ৰশ্ন পাব লাগে আৰু কেতিয়া Deptt লৈ পঠাব

*Speech not corrected

লাগে চেক্ৰেটৰীয়ে সেই সম্পৰ্কে ভালদৰে আলোচনা কৰি, Reminder দিব লাগে তেতিয়াহে আমাৰ প্ৰশ্নবোৰ সময়মতে আহি পাব ; নহলে আমাৰ প্ৰশ্ন দিয়াৰ কোনো মূল্য নেথাকিব । সেই কাৰণে মই এই বিষয়ে চৰকাৰক বিশেষ ভাবে আৰু লগতে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ বিশেষ ভাবে দৃষ্টি আকৰ্ষণ কৰিলোঁ ।

Mr. Speaker :

অসমীয়াত ছপা কাম আইন বোৰ অহা বাজেট অধিবেশনৰ আগে-আগে হোৱাৰ সম্ভাৱনা আছে। প্ৰশ্ন সম্পৰ্কে actual state of affairs কি সেইটো কাইলৈ সদনক জনাম। সেই কাৰণেই Leader of the House আৰু বিভিন্ন দলৰ নেতা সকলক মোৰ কাৰ্য্যালয়ত চুটিৰ সময়ত লগ পাম।

Shri Debeswar Sarmah :

মোৰ বুলেটিন সম্পৰ্কে কি হল ?

Mr. Speaker :

৪ তাৰিখৰ বুলেটিন ৭ তাৰিখত কিয় পাইছে সেইটো তদন্ত কৰিম ।

Shri Debeswar Sarmah :

এতিয়াৰ পৰা আগদিনাৰ বুলেটিন পিচদিনা পামনে ?

Mr. Speaker : পাব ।

Shri Moinul Haque Choudhury :

প্ৰশ্নবোৰ আগদিনা নেপালে কেনেকৈ হয় ?

Shri Dulal Chandra Barua :

অধ্যক্ষ মহোদয়, আজি সদস্যসকল effcttive হব খুজিলে আপোনাৰ সচিবালয়ৰ পৰা বাধা পাওঁ । আনকি হোষ্টেলৰো আমি ন্যাৰ্য্য পাপ্যৰ পৰা বঞ্চিত হৈছো ।

M. Moiwul Hague Choudhury :

If the Speaker does not take any action, we will form a Committee and take disciplinery action against those who are responsible for this state of affairs. We will ourselves take action because we are the masters of this

House, if the Speaker as the head of the office does not enforce our rights and protect our privileges, as was done in the House of Commons.

Shri Dulal Chandra Barua :

অধ্যক্ষ মহোদয়, আমি বাৰে বাৰে আপোনাক কৈ আছো যে আপোনাৰ সচিবালয়ৰ পৰা আমি প্ৰতিবন্ধক পাই আছো। আমাক আগৰ অধ্যক্ষই guidance দিছিল, আনকি ৰাতি আহিও চাইছিলহি আমি পঢ়া শুনা কৰিছোনে নাই। কিন্তু এতিয়া guidance টো নায়েই বৰঞ্চ সচিবালয়ৰ পৰা প্ৰতিবন্ধকতাহে পাই।

M: Moinul Haque Choudhury :

It is to be seen when the district authorities sent reply to a question to the Chief Engineer and when the Chief Engineer sent the file to his Minister and how long the Minister sat upon the file, and whether he sat upon the file till the Assembly session was over. If the Chief Engineer delayed the matter, then action will be taken against him and if the Minister sat upon the file for long then he will be guilty of breach of privilege of the House. And if it is the foult of your Secretariat then action should be taken against the persons responsible. We are not going tolerate that our rights and privilege should go flouted like this by a combination of officials. We will take action ourselves and we will enforce our rights.

( একেলগে কেবাজনো সদস্যই কৈ থাকে )

M. Shamsul Huda :

আমি আজিলৈকে এটা প্ৰশ্নও admit হলনে নাই গম পোৱা নাই, ইয়াৰ এটা ভাল ব্যৱস্থা কৰিব লাগে ; নহলে আমি নিজেই তাৰ ব্যৱস্থা কৰিম।

Shri Dulal Chandra Barua :

আগেয়ে Govt Press ত এটা শাখা আছিল সদস্য সকলৰ কাম কৰিবৰ কাৰণে। এতিয়া চৰকাৰে তাৰো মুদা মাৰিছে। আমাৰ কাগজ পত্ৰবোৰ confidential তাৰ যদি এটা ভাল ব্যৱস্থা নকৰে, তেনেহলে আমি নিজেই তাৰ ব্যৱস্থা কৰিব লাগিব।

Mr. Speaker :

I will discuss all these matters with the leaders of different groups and also the leader of the House and take definite action. As regards the allegations made by the hon. Members, I hope the things will improve in future.

Shri Deva Kanta Barooah :

Sir, may I make a submission ? In this House you are the custodian of rights and privileges of the Members and your word is law within the precinct of this Chamber. I speak with a good deal of sorrow that there should be any impression that the Assembly Secretariat has gone remiss. It is for you to rectify all the omissions and commissions which the hon. Members have placed before you. It is not necessary for you to consult anybody. It is your right and privilege because you are above all of us so far as this House is concerned.

Mr. Speaker :

I thank Mr. Barooah for the statement he has made and I will act upon it. In the meantime I will have a discussion with the Leaders of different Groups and the Leader of the House at 12-30 do-day.

## Ruling by the Speaker : Adjournment Motion Pakistani spy decamps with secret maps and documents from the survey of India office, Shillong

Mr. Speaker :

On 5.12.70 hon. Member Shri Dulal Chandra Barua tabled the following adjourment motion to discuss a situation arising out of the incident that took place on 21.11.70 :

"That Pakistani spy decamps with secret maps and documents from the Survey of India Office at Shillong with the help of a senior official."

While speaking on the admissibility of the motion, he further stated that two Pakistani ladies ( spies ) came to the Capital and entered into an office where the secret documents concerning the security of the country were kept and slipped off to Pakistan with the help of a local taxi No. ASA 6981 and in which no less a person than one Major S.K. Kohli is involved. It was reported that with the help of Major Kohli the two Pakistani spies could manage to slip off with the secret documents. The incident took place on 21st November, 1970 and the two ladies stayed in the office from 11 p.m. to 5 a.m. and hired a taxi and crossed the international boundary at Dawki with the documents concerning the international and the Mac Mohan line from the office of which Major Kohli was incharge. He submitted that State Government and the Government of India were informed but no action seemed to have been taken and that the incident proved the failure of the State Government to prevent such

incident which endangered the security of the State. So he submitted that the matter was a definite one of urgent nature and of recent occurence and as such it should be admitted.

Shri Moinul Haque Choudhury also participated in the discussion. On 7.12.70 the Chief Minister made a statement in the House where in he stated that Major S.K. Kohli of the Survey of India, Shillong, is the officer-in-charge of No. 5 Party which is currently operating in the NEFA Sector of the International Border and that he spent the night (11 p.m. to 5 a.m. ) of November, 21st, 1970 in this office Chamber along with two ladies which he said was undoubtedly unusual. To the extent that the two ladies stayed with Major Kohli in his office Chamber where from they dispersed on the following morning at about 5 a.m. as stated by the hon'ble Chief Minister, corroborates with the contention of Shri D.C. Barua. But the statement of the hon'ble Chief Minister does not corroborate with Shri Barua's contention that the two ladies were Pakistani spies and that they decamped with secret maps and documents from the Survey of India office. The Chief Minister's statement also indicated that State Police was enquiring into the matter and Survey of India Authorities have also instituted Departmental enquiries and another high power departmental enquiry is scheduled to start with effect from December 7, 1970. So the Chief Minister submitted that in view of the facts stated by him the adjourment motion did not seem to him to be permissible.

I have carefully considered the submissions made by the hon.Members. The matter is no doubt a definite matter

of public importance. The Survey of India Office is a repository of all secret documents converning vital information including maps of international boundaries of the country. It is expected that this office would maintain high standard of secrecy in the interest of the security of the country. The Survey of India office is therefore always considered as a protected place where entry of unauthorised persons is prohibited and it is supposed to be adequately guarded from unauthorised intrusion. It is a matter of great surprise how in spite of the presence of the guards Major Kohli, the officer-in-charge could take into this office two ladies who are not only outsiders and unauthorised persons but alleged to be Pakistani spies at 11 p.m. on 21st November, 1970 and allowed them to stay there for the whole night till 5 a.m. next day when they dispersed without detection. This is undoubtedly a serious matter affecting the security of the State. The Motion seeks to discuss the alleged failure of the Government to maintain the secrecy of this office which is vitally connected with the security of the State. I feel it fulfils the provisions of Rule 57 and is an urgent matter of public importance and so I declare this adjourment motion to be in order and fix Friday, the 11th December, 1970 for discussion of the motion after the Question Hour.

## Adjournment Motion Setting up of Police out-posts in Assam's Territory by Nagaland

Shri Soneswar Bora :

অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ কাৰ্য্যপৰিচালনা বিধি ৫৬ ধাৰা অনুযায়ী ৰাজহুৱা অত্যন্ত-গুৰুত্ব পূৰ্ণ বিষয় এটাৰ ওপৰত সভাস্থগিত প্ৰস্তাবৰ জাননী দিয়া হ'ল। প্ৰস্তাৱটো এই যোৱা ৪-১২-৭০ তাৰিখে নগালেণ্ড

চৰকাৰে অসমৰ সুনিৰ্দ্দিষ্ট সীমা উলঙ্ঘা কৰি দৈয়াং সংৰক্ষিত বনাঞ্চলত প্ৰহৰী চকি স্থাপন কৰিছে। আৰু নগাৰ প্ৰহৰী চকী স্থাপন কাৰ্য্য আলোচনা কৰিবলৈ বিধান সভাত আজি অন্য কাম স্থগিত ৰখাৰ কাৰণে এই প্ৰস্তাবটো দাখিল কৰা হল। অসমৰ সীমা উলঙ্ঘা কৰি নগালেণ্ড চৰকাৰে প্ৰহৰী চকি স্থাপন কৰাত অসমৰ অধিবাসী সকলৰ মাজত এক ভীষণ চাঞ্চল্যৰ সৃষ্টি হৈছে আৰু প্ৰায় কেইবা হাজাৰ বিঘা ধান, মাহ, সৰিয়হ খেতি থকা অৱস্থাত মাটি নগাই হস্তক্ষেপ কৰিছে। এই অৱস্থাত অসমৰ নিৰাপত্তা আৰু সাৰ্ব্বভৌমত্বৰ ওপৰত আঘাট হানিছে। এই কাৰ্য্য অতি গুৰুত্বপূৰ্ণ কাৰ্য্য। গতিকে মই সভাস্থগিত প্ৰস্তাৱটো আগবঢ়াইছো। আমাৰ বিধান সভাৰ কাৰ্য্যপৰিচালনা বিধিৰ ৫৭ ধাৰা অনুযায়ী এই সভাস্থগিত প্ৰস্তাবত আপুনি অনুমতি দিব লাগে। বিষয়টোৱো বিধিৰ ৫৭ ধাৰা আটাই কেউটা দফাৰ সমৰ্থন পাইছে। মই এই কাৰণেই সভা স্থগিত প্ৰস্তাৱ তোত আপুনি অনুমতি আলোচনাৰ্থে দিব পাৰে বুলি কওঁ যে—

(১) বিধান সভাৰ এই অধিবেশনত এইটোৱে মাত্ৰ এই সম্পৰ্কত একমাত্ৰ প্ৰস্তাৱ অনা হৈছে।

(২) দ্বিতীয়তে এইটো বিষয়ত এটা মাত্ৰ বিষয় সন্নিবিষ্ট কৰা হৈছে।

(৩) একেটা প্ৰস্তাৱকে আগতে এই বিধান সভাত আলোচনা কৰা হোৱা নাই।

(৪) চতুৰ্থতে এই বিষয়টো ইমান গুৰুত্বপূৰ্ণ যে এই অধিবেশনত যদি আজি এই বিষয়ে আলোচনা কৰা নহয়, তেন্তে ৰাজ্যখনৰ কাৰণে অত্যন্ত অপকাৰ আৰু অন্যায় কৰা হব।

(৫) এইটো এটা এনেকুৱা বিষয় যে, ইয়াক অন্যৰকমে বিধান সভাত আলোচনা কৰাৰ স্থল নাই।

(৬) এই বিষয়টো কোনো কটত বৰ্ত্তমানে বিচৰাধীন হৈ থকা নাই। আৰু আদালতলৈ নিব পৰা বিষয় নহয়।

(৭) ই কোনো বিষেষ অধিকাৰৰ প্ৰশ্ন নানে। (৮) আৰু বিশেষকৈ এই বিষয়টো আমাৰ একমাত্ৰ ৰাজ্য চৰকাৰৰ বিষয়। গতিকে এই সভা স্থগিত প্ৰস্তাৱটো

আলোচনাৰ অৰ্থে দিবৰ কাৰণে মই অধ্যক্ষ মহোদয়ৰ অনুমতি আহবান কৰিলো।

অধ্যক্ষ মহোদয়, এই কাৰ্য্য ইমান গুৰুত্বপূৰ্ণ যে নগা চৰকাৰে অসমৰ ৬ মাইল ভিতৰলৈ সোমাই আহি আমাৰ ৰাজ্যৰ বহুহেজাৰ বিঘা মাটি আৰু খেতি হস্তগত কৰিছে। আমাৰ দৈয়াং বনাঞ্চলৰ নগাবৰ্ডাৰৰ যিটো শেষ সীমা অৰ্থাৎ বৰ্ডাৰ যত আমাৰ পহৰা আছে, আৰু চকি আছে সেই মেৰাপানী, দীঘলপানী, ভেলউগুৰি আৰু চিচুপানী এই ৪টা চকিলৈ যোৱা ২৩ নবেম্বৰ তাৰিখে মই নিজে গৈছো তেতিয়া সীমা সংৰক্ষিত আছিল যোৱা ২ ডিচেম্বৰ তাৰিখে আমাৰ এই সদনৰ সদস্য শ্ৰীঅতুল গোস্বামী এম, এল, এ মোৰ সৈতে গৈ মেৰাপানী পহৰা পৰ্য্যন্ত চাই আহিছিল আৰু যোৱা ৪ডিচেম্বৰত দিনৰ প্ৰায় ১২ বজাত মোৰে সৈতে অসমৰ এজন সু-সাহিত্যিক আৰু ৰাজনৈতিক নেতা শ্ৰীবীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ডাঙৰীয়াই আমাৰ ওপৰ তৰনী Camp ত গৈ গোটেই অঞ্চল চাই আহিছে। ৪ ডিচেম্বৰ তাৰিখে দিনৰ বেলালৈকে নগাৰ চকী আমাৰ সীমা পাৰ হোৱা নাছিল। কিন্তু ৪ তাৰিখে ৰাতি প্ৰায় ৩শ নগা চিপাহীয়ে লগত নগা ৰাইজ আৰু লৰা তিৰোতালৈ প্ৰাই ৩ মাইল আমাৰ ৰাজ্যৰ ভিতৰলৈ সোমাই আহে। আৰু চকি পাতিছে। এতিয়া তেওঁলোক প্ৰায় ৬ মাইল আহিছে। খেতিৰ মাটি আৰু ৰাইজৰ বহি থকা মাটিবিলাক তেওঁলোকৰ মাটি বুলি দাবী কৰিছে।

এই বিষয়টো বৰ গুৰুত্বপূৰ্ণ। সেই কাৰণেই এই বিষয়টো আমাৰ এই সদনত আলোচনা কৰিবলৈ সুবিধা দিব লাগে আৰু এই সদনত পুঙ্খানুপুঙ্খ ৰূপে আলোচনা কৰি ৰাজ্যখনৰ প্ৰতি চমকা মাটি ৰক্ষা কৰাৰ ব্যৱস্থা এই সদনে কৰিব লাগে।

অধ্যক্ষ মহোদয়, যোৱা চেপ্তেম্বৰ মাহত আমাৰ তেতিয়াৰ ৰাজহমন্ত্ৰী আৰু এতিয়াৰ মুখ্যমন্ত্ৰী শ্ৰীযুত চৌধুৰী যেতিয়া গোলাঘাটলৈ গৈছিল তেতিয়া শিশুপানী আৰু গমাৰিগুৰিৰ হাজাৰ হাজাৰ ৰাইজক উচ্ছেদ কৰিবলৈ হুঁকুম দিছিল। সম্ভবতঃ তাৰে সুবিধা লৈ নগা চৰকাৰে এইবিলাক বে-আইনি কামৰ সুযোগ লৈছে। গতিকে এই বিষয়টো অতি গুৰুত্বপূৰ্ণ আৰু মই বিষয়টোৰ ওপৰত অনা সভাস্থগিত প্ৰস্তাৱটো সদনত আলোচনা কৰিবলৈ অনুমতি দিব লাগে।

Shri Atul Chandra Goswami ঃ

অধ্যক্ষ মহোদয়, এই সভা স্থগিত প্ৰস্তাবটো সমৰ্থন কৰি কও যে ৫৭ ধাৰাত উল্লেখিত সকলোখিনি condition এই প্ৰস্তাৱটো সদনত আলোচনাৰ কাৰণে অনুমতি দিয়াৰ কাৰণে সমৰ্থন কৰিছে। এইটো এটা গুৰুত্বপূৰ্ণ বিষয় আৰু এইটো এটা অলপতে ঘটা ঘটনা মাত্ৰ ৪ ডিচেম্বৰ দিনা অসমৰ ৪ মাইলৰ ভিতৰত সোমাই নগালেণ্ড চৰকাৰৰ পুলিছে চকি পাতিছে। এই ঘটনা ইয়াৰ আগতে হোৱা নাছিল আৰু বিধান সভাৰ পুৰ্ব্বপৰ্ত্তী কোনো অধিবেশনতো আলোচনা কৰা হোৱা নাই। চৰকাৰে হয়তো কব যে নগালেণ্ড আৰু অসম সীমান্তত এনে ধৰণৰ ঘটনা দীৰ্ঘ দিন ধৰি ঘটি আছে। কিন্তু বৰ্ত্তমানৰ এই চকি স্থাপনৰ ঘটনাটো পূৰ্ব্বে ঘটি অহা কোনো ঘটনাৰ লগত সামজঞ্চ্য নাই। অসম চৰকাৰ আৰু নগালেণ্ড চৰকাৰৰ মাজত স্থিতাবস্থাৰ যিটো চুক্তি হৈছিল সেইটো উলঙ্ঘা কৰি নগালেণ্ড চৰকাৰে অসম ৰাজ্যৰ ভিতৰত তেওঁলোকৰ চকি স্থাপন কৰিছে আৰু তাৰ ফলত সেই অঞ্চলত থকা বাস কৰা অসমৰ ৰাইজৰ দুৰ্য্যোগ ঘটিছে আৰু নিৰাপত্তা নোহোৱা হৈছে। অসম চৰকাৰে সেই অঞ্চলৰ মানুহ বিলাকক নিৰাপত্তাৰক্ষা কৰিব পৰা নাই। আৰু অসম চৰকাৰ এই বিষয়ত ব্যৰ্থ হৈছে। সেই মানুহ বিলাকৰ পথাৰৰ পকা ধান নগালেণ্ড চৰকাৰৰ মানুহে কাটি লৈ গৈছে। আৰু তাৰ আনুসাঙ্গিক উপদ্ৰপৰ পৰা চৰকাৰে আমাৰ মানুহক ৰক্ষা কৰিব পৰা নাই। গতিকে মই বিষয়টো অতি গুৰুত্বপূৰ্ণ বিষয় আৰু আমাৰ ৰাইজৰ নিৰাপত্তা আৰু ৰাজ্যখনৰ সাৰ্ব্বভৌমত্য ৰক্ষাৰ কাৰণে আজিৰ সদনত অনা এই সভা স্থগিত প্ৰস্তাবটো আলোচনা কৰিবলৈ সুবিধা দিব লাগে।

*Shri Mahendra Mohan Chaudhury (Chief Minister) :

অধ্যক্ষ মহোদয়, এইটো এটা গুৰুত্বপূৰ্ণ বিষয় আৰু এনেকুৱা ঘটনা অসম আৰু নগালেণ্ড সীমান্তত বহুত দিনৰ পৰাই চলি আছে। আৰু এই ঘটনা নিজে প্ৰত্যবেক্ষন কৰিবৰ কাৰণে ইউনিয়ন Home Minister অসম আৰু নগালেণ্ডলৈ আহিছিল। তেখেতে আমাৰ লগত এই বিষয় বিলাক আলোচনা কৰিছিল আৰু সেই বিলাক বিষয় শেষ নিষ্পত্তিৰ কাৰণে আমাক আশ্বাস দিছিল। এই বিষয়টো আমি কেইবাবাৰো প্ৰধান মন্ত্ৰীৰ লগত আলোচনা কৰি-

*Speech not corrected

ছিলো আৰু অধিক আলোচনা কৰিবৰ কাৰণে তেখেতে আমাক দিল্লীলৈ যাবলৈ কৈছিল আৰু এই মৰ্ম্মে আমি প্ৰধান মন্ত্ৰীৰ লগত আলোচনা কৰিম। আমাৰ এই ঘটনা ঘটাৰ পিচত নতুনকৈ বেদখল কৰি নগালেণ্ড চৰকাৰৰ পুলিচে নতুন চকি পতাৰ বিষয়টো আমি প্ৰধান মন্ত্ৰীক Telegram কৰি জনাইছো। গতিকে আজিৰ সদনত এই বিষয়টোৰ ওপৰত অনা সভাস্থগিত প্ৰস্তাবটো গ্ৰহণ কৰিব পাৰিবনে নোৱাৰি সেইটোৱেই হৈছে বিষয়। যদি আপুনি অনুমতি দিয়ে এই বিষয়ে কিছু কথা সদনক জনাব পৰা হব কিন্তু এই ঘটনা মাজে মাজে হৈ আছে আৰু বেদখলো হৈ আছে। গতিকে এইটো আজিৰ সভাস্থগিত প্ৰস্তাবৰ বিষয় হব নোৱাৰে। মোৰ বিশ্বাস যদি আপুনি মোক এটা বিবৃত্তি দিবলৈ অনুমতি দিয়ে তেন্তে সেই বিবৃত্তিৰ পিচত এই ঘটনা সংক্ৰান্তত সকলো কথা আলোচনা কৰিব পৰা হব। সেই কাৰণে মই ভাবো যে এইটো যিহেতু সভাস্থগিত প্ৰস্তাব হিচাবে গ্ৰহন যোগ্য নহয় মোৰ বিবৃত্তিটোৰ ওপৰত আলোচনা কৰিলে ভাল হব আৰু সেই আলোচনাৰ বিবৰণী প্ৰধান মন্ত্ৰীলৈ দিব পৰা হব।

*Shri Dulal Chandra Barua :

মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই এই সভাস্থগিত প্ৰস্তাবটো "continuous" ঘটনা বুলি Rule out কৰিবলৈ যি ইঙ্গিত দিছে সেইটো মই মানি লব নোৱাৰো কাৰণ এই দৰে নগালেণ্ড চৰকাৰৰ প্ৰত্যেকটো বে-আইনী কাৰ্য্যকে উপেক্ষা কৰি গৈ থাকিলে এনেকুৱা এটা দিন যদি আহে যি দিনা নগালেণ্ড চৰকাৰে মৰিয়নী বা গোলাঘাট অঞ্চলত প্ৰবেশ কৰিব তেতিয়াও এইটো সাধাৰণ ঘটনাই হৈ থাকিবনেকি? নগালেণ্ড চৰকাৰে গোলাঘাট অঞ্চলৰ ২৫ বৰ্গ মাইল মাটি দখল কৰি আছে। আৰু এই সম্পৰ্কত মুখ্য মন্ত্ৰীয়ে প্ৰধান মন্ত্ৰীৰ লগত আলোচনা কৰিম বুলি কৈছে। আৰু তেখেতে এই সম্পৰ্কত যিটো বিবৃত্তি দিব তাৰ পিচত আলোচনা কৰিবলৈ কৈছে। এইদৰে কৰোতে যিমানেই দেৰি হব সিমানেই নগালেণ্ড চৰকাৰে অধিক অঞ্চল দখল কৰি ধোদৰ আলি পৰ্য্যন্ত দখল কৰিব। এই বিলাক হব নোৱাৰে আৰু এই ঘটনা continuous ঘটনা হিচাপে ন লৈ ইয়াত গুৰুত্ব দিলে ভাল হব। কাৰণ এইটো এটা গুৰুত্ব পূৰ্ণ বিষয়। ইয়াৰ ওপৰত প্ৰধান মন্ত্ৰীৰ অকল আশ্বাস থাকিলেই নহব। এইটো

*Speech not correct

শান্তিপূর্ণ উপায়েৰে সমাধান কৰি নগালেও চৰকাৰৰ বে-আইনী উপদ্ৰপৰ পৰা অসম সীমান্তত বাস কৰা ৰাইজৰ নিৰাপত্তা আৰু ৰাজ্যখনৰ সাৰ্ব্বভৌমত্ব ৰক্ষা কৰিবলৈ আমাৰ চৰকাৰে নিজৰ নতুন নীতিৰে কাম হাতত লব লাগিব । গতিকে এই বিষয়টো অতি গুৰুত্বপূৰ্ণ আৰু ঘটনাটো মাত্ৰ সিদিনাৰ। সেই কাৰণে এই বিষয়টো সভাস্থগিত প্ৰস্তাবৰ যোগ্য আৰু সীমান্ত বাসী ৰাইজ তথা অসমৰ নিৰাপত্তা আৰু সাৰ্ব্বভৌমত্ব ৰক্ষাৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই দিয়া ইঙ্গিত মতে পিচলৈ লৈ যোৱা উচিত নহব। গতিকে এই সকলো বিলাকে আজিৰ এই সভাস্থগিত প্ৰস্তাবটো আলোচনাৰ কাৰণে সমৰ্থন কৰিছে আৰু এই প্ৰস্তাবটো আজিৰ এই সদনত আলোচনা কৰিবলৈ আপুনি অনুমতি দিব লাগে ।

* Shri Debeswar Sarmah :

মই উভয় পক্ষৰ কথাৎ বৰ মনোযোগেৰে শুনিলো। মোৰ সমষ্টিৰ এইটো মানুহে অসম চৰকাৰকো খাজনা দিয়ে আৰু নাগা চৰকাৰকো খাজনা দিয়ে । বৰ দুখজনক কথা, পিছে এতিয়াৰ পৰা দৃঢ়ভাবে কইছো যে Adjournment Motion ইয়াত আলোচনা কৰিলে ইয়াৰপৰা কি লাভ হব তেখেতসকলে নাই কোৱা । কি লাভ হব মোক কোৱা নাই কোনোবাই দেখুৱাই দিলে সুখি হম ।

তদুপৰি আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কৈছে আমাৰ প্ৰধানমন্ত্ৰীৰ লগত আলাপ আলোচনা কৰিব, আলোচনা কৰিব লাগে। কাৰণ আমি ভাৰতবৰ্ষৰ ভিতৰতে আছো আমি মহান জাতি হিচাবে গৌৰব লাভ কৰো সেইকাৰণে সকলো কথাই আমি আলাপ আলোচনা কৰিবই লাগিব। গতিকেই যদি আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে ভাবে যে প্ৰধানমন্ত্ৰীৰ লগত আলোচনা কৰি কিবা সুবিধা কৰিব পাৰে। কিন্তু সেইটো মই শিশু সুলভ মন ভাব বুলিহে ধাৰণা কৰো । তদুপৰি আপোনালোকক নকৰক কি কি কৰিব সেইটো পিচৰ কথা । আমাৰ সমষ্টীৰ কথাখিনিকে সদনত আমি কৰুন ক্ৰন্দন কৰো দুখৰে যি বেদনা কৰো । কিন্তু তাতোতকৈ নামচাই অঞ্চলত বেহাবেপাৰৰ অযুহাত লৈ এখন Township সাজিবলৈ আৰম্ভ কৰিছে, সেই Town ship খন কিবা কৰিব পাৰিবনে কিয় Township খনৰ নিৰ্ম্মান চলি আছে এই কথাবিলাকৰ কি কৰিছে আৰু কি কৰিব খোজে সেই বিষয়ে আমি জানিব লাগে । যদি তেওঁলোকে আমাৰ মাটিৰ ওপৰত পকা ঘৰা সাজে

*Speech not corrected

আমি উঠাই দিব নোখোজো তেতিয়াহলে আমি কি কৰিম মই নাজানো ; আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে নগালেণ্ড মুখ্যমন্ত্ৰীৰ লগত বিস্তৃত ভাৱে আলোচনা কৰিছে নে নাই কব নোৱাৰো ।

মই ভাবো যি কোনো উপায়ে আমাৰ যিটো সীমা আছে সেই সীমাটোকে ৰাখি যাতে নতুনকৈ পূৰ্ব্বৰ সীমা অতিক্ৰম কৰি বেদখল কৰিব নোৱাৰে তাৰ দিহা কৰিব লাগে । আজি ইমানদিনে আমি আলাপ আলোচনা কৰিওঁ কি পালো, Delhi ৰ মন যোগাই থাকোতেই আজি ইমানদিনে আমি কি পালো মই একো বুজি নাপাও আমি কেতিয়াও তেওঁলোকক সন্তোষ্ট কৰিব নোৱাৰো ; তেওঁলোকৰ মন যোগাবলৈ যাওতে যাওতে আমাৰ অঠুৰো চাল গ'ল কিন্তু তেওঁলোককো Satisfy কৰিব পৰা নাই । “দাউকাত নামদাং” অঞ্চলত Town ship নিৰ্ম্মানত কিয় বাধা দিব নোৱাৰে আৰু নতুনকৈ কিয় বেদখল কৰাত বাধা দিব নোৱাৰে । উভয় পক্ষৰ কথাই আমি শুনিছো । দুয়ো পক্ষই পুলিচ চকি ৰাখি বেদখল কৰাত বাধা দিব লাগে ।—ইতিমধ্যে Delhi ৰ লগত কথাবতৰা হওক । মোৰ মাত ডাঙৰ কাৰণে সিদিনা বিত্তমন্ত্ৰী ডাঙৰীয়াই আপত্তি কৰিছিল ; মোৰ সুললিত সুৰ বা ছন্দ নাই, ঈশ্বৰে সেইটাৰ পৰা মোক বঞ্চিত কৰিলে কি কৰিম । এই সংক্ৰান্তত politically সমালোচনা কৰিবলৈ গলে অসমৰ বিৰুদ্ধেই যাব অসমৰ ৰাইজৰ বিপৰীতে যাব গতিকে অতি সোনকালে ইয়াৰ এটা সীদ্ধান্তত উপনীত হব লাগে ।

Shri Soneswar Bora :

মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই দিয়া সমীধান শুনিলো । তেখেতে এই কাৰ্য্য বহুদিনীয়া বুলি কৈছে । তেখেতে এইবিলাক কথা কি ভাবি কৈছে আৰু কিহৰ খাতিৰত কৈছে মই কব নোৱাৰিলো । আমি ভাবো যে, ১৯২৫ চনতে নগাপাহাৰ আৰু শিৱসাগৰৰ জিলাৰ যি সীমা নিৰ্দ্ধাৰণ কৰা হৈছিল সেই সীমাই বৰ্ত্তমান অসম ৰাজ্য আৰু নগালেণ্ডৰ সীমা । সেই সীমা ৰক্ষা কৰাটো অসম চৰকাৰৰ কৰ্ত্তব্য আৰু সেই সীমা ৰক্ষা কৰিবৰ কাৰণে আমাৰ চৰকাৰে নানা ঠাইত পুলিচ চকী পাতি থৈছে । তদুপৰি সেই সীমা চিহ্ন মতেই বৰ্ত্তমান শিৱসাগৰ জিলাৰ সীমান্তত ১/২ মাইল বেল্ট (এলেকা) এটাত স্থানীয় লোকক দিবৰ কাৰণে জৰীপ কাৰ্য্য চলি আছে আৰু জৰীপ কৰাৰ পিছত মাটি দিয়াৰ ব্যৱস্থাও

হৈছে, সেই মৰ্ম্মে আমাৰ ৰিজাৰ্ভৰ S.D.C., মণ্ডল কাননগু আদি সকলো তাত থাকি কাম কৰি আছিল। তেনেস্থলত আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে নগালেণ্ড আৰু অসমৰ সীমাৰ ভিতৰত এনেদৰে Dispute আছে বুলি কেনেকৈ খটাংকৈ কব পাৰে ? আৰু সীমাৰ ভিতৰলৈ নগা সোমাই অহাৰ পিছতো সেইটো বিবাদমুক্ত অঞ্চল বুলি কয়। এনেকৈ অসমৰ ৰাইজৰ আগতকৈ কিয় মুখ্যমন্ত্ৰীয়ে নিজৰ ব্যথতা দেখুৱাইছে মই বুজি নেপাওঁ। অসমৰ মাটি নগালেণ্ডৰ চৰকাৰে বা চিপাহীয়ে দখল কৰিলে সেই সীমা ৰখা কৰাটো অসম চৰকাৰৰ কৰ্ত্তব্য। কিন্তু বিদেশী ৰাষ্ট্ৰৰ লগত ভাৰতৰ যদি কিবা Dispute হয় বা বিদেশী ৰাষ্ট্ৰই সীমা লঙ্ঘন কৰে তেতিয়াহলে কেন্দ্ৰীয় চৰকাৰৰ কৰ্ত্তব্য হব কিন্তু এই ক্ষেত্ৰত এইটো কেন্দ্ৰীয় চৰকাৰৰ কৰ্ত্তব্য নহয়। গতিকে নগালেণ্ড অসমৰ সীমা বিবাদত কেন্দ্ৰীয় চৰকাৰে কিবা কৰি দিব বুলি আশাকৰা কেতিয়াও উচিত নহব। কাৰণ Dellhi চৰকাৰৰ লগত আলোচনা কৰি অসমৰ ৰাইজৰ সীমাবিবাদৰ মিমাংসা কেতিয়াও নহব।

মই পুনৰ কও যে যোৱা ২৩ নবেম্বৰ তাৰিখে মই নগা সীমান্তৰ মেৰাপানী, ভেলেউগুৰি, দীমলপানী, চিচুপানী আদি পুলিস পহৰা চকী কেইটালৈ যাওতে পলাই পলাই বা হাবিৰ তলে তলে যোৱা নাছিলো। গৈছিলো অসম আৰু নগা ৰাজ্যৰ সীমা বুলি যি সীমাক দুয়ো চৰকাৰে মানি লৈ এটা ৰাস্তা কৰা হৈছে আৰু যিটো ৰাস্তাত জীপ মটৰ আদি চলে। ময়ো মোৰ জীপগাড়ী লৈ গৈছিলো। লগত মোৰ ভতিজা শ্ৰীমান পদ্মেশ্বৰ বৰাও গৈছিল। তেওঁৱেই জীপখন চলাই গৈছিল। সেই ৰাস্তাটো তেতিয়া দুয়ো ৰাজ্যৰ সীমা আছিল। যোৱা ২ ডিচেম্বৰ তাৰিখে অতুল গোস্বামী M.L A ডাঙৰীয়াৰ লগত সেই একেখন জীপতে মেৰপানী কেম্প পৰ্য্যন্ত গৈছিলো আৰু ৪ ডিচেম্বৰ তাৰিখেও শ্ৰীবীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যক লৈ তৰাণী পুলিচ চকী লৈ যাওতেওঁ সেই একেখন জীপতে গৈছিলো আৰু একেজন লৰাই সেই জীপখন চলাইছিল। এই পৰ্য্যন্ত আমাৰ সীমা সুৰক্ষিত আছিল। ৪ তাৰিখৰ ৰাতিহে নগালেণ্ডৰ পুলিচ আৰু ৰাইজে লগ হৈ সীমা লঙ্ঘন কৰি চকী পাতিছে আৰু খেতিৰ মাটিবোৰ হস্তক্ষেপ কৰিছে। গতিকে ৰাজ্যচৰকাৰৰ এই বিষয়টো নিতান্তই আজিৰ বিধান সভাত আলোচনা কৰাটো অতি আৱশ্যক। যদি এইদৰে ঢিলাই দিয়া হয় আমাৰ অসমৰ সীমাত অসমৰ ভিতৰলৈ অপসৰন হোৱাৰ উপৰিও তাত বসবাস কৰা আমাৰ জনসাধাৰণৰ নিৰাপত্তা ক্ষুণ্ণ হব।

গতিকে মই চৰকাৰক তীক্ষ্ণ দৃষ্টিৰে এই গুৰুত্বৰ কথাটোলৈ আকৰ্ষন কৰিব বিচাৰিছো যে এটা সুদৃঢ় ব্যৱস্থা অচিৰে হাঁতত লোৱা দৰকাৰ যাতে আমাৰ সীমা অক্ষুণ্ণ ৰাখি আমাৰ ৰাইজৰ নিৰাপত্তা আৰু সাৰভৌমত্ব ৰক্ষা কৰিবলৈ দৃঢ়ভাবে আগবাঢ়ি যাব পাৰে। এই চৰকাৰে এই কৰ্ত্তব্য পালন কৰিলেহে চৰকাৰৰ ওপৰত জনসাধাৰণৰ আস্থা ৰৈ থাকিব। নিজৰ মাটি নিজে ৰক্ষা কৰিবলৈ আগবাঢ়ি নগৈ মাত্ৰ মীমাংসাৰ ভাৰটো কেন্দ্ৰীয় চৰকাৰৰ ওপৰত দি থৈ দিলে আমাৰ সমস্যা কেতিয়াও সমাধান নহব। অসমৰ ৰাইজে ১ ইঞ্চি মাটিয়ো কাকো এৰি দিব নোৱাৰে, আৰু নিদিয়ে। এই সদনতে আমাৰ বৰ্ত্তমানৰ মুখ্যমন্ত্ৰী চৌধুৰী আৰু আগৰ মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰাসাদ চলিহাই একাধিকবাৰ ঘোষনা কৰি আহিছে যে ১৯২৫ চনৰ দুয়োখন জিলাৰ সীমাই এতিয়া দুয়োখন ৰাজ্যৰ সীমা। কিন্তু সেই সীমা আমাৰ চৰকাৰে বৰ্ত্তমান ৰক্ষা কৰিব পৰা নাই। এতিয়া নগা চৰকাৰে ৬ মাইল ভিতৰলৈ সোমাই আহি অসমৰ মাটি দখল কৰি লৈছে। যদি আজি আমি বিধানসভাত এই বিষয়টো আলোচনা কৰিবলৈ নাপাওঁ বা চৰকাৰে নিদিয়ে তেন্তে নগাই বেচি আসে পাব। আৰু আমাৰো কৰ্ত্তব্য পালন কৰা নহব। আজি বিধান সভাত সভা স্থগিত প্ৰস্তাৱ এটাৰে এই বিষটো আলোচনা কৰিলে আমাৰ ৰাজ্য চৰকাৰৰ আমাৰ সীমাৰ প্ৰতি থকা দৃঢ়তাকে বুজাব। গতিকে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক বিষয়টো পুনৰ বিৱেচনা কৰিবলৈ আবেদন জনাওঁ।

আৰু মাননীয় অধ্যক্ষ মহোদয়ক এই গোটেই বিষয়টো বিৱেচনা কৰি সভা স্থগিত প্ৰস্তাৱটো আলোচনাৰ্থে অনুমতি দিবলৈ অনুৰোধ জনালো।

Shri Prema Borah :

অলপতে কেন্দ্ৰীয় চৰকাৰৰ Home Minister ইয়ালৈ আহিছিল—আৰু দুয়োখন ৰাজ্যৰে মুখ্যমন্ত্ৰী দুজনৰ মাজত আলোচনাও হৈছিল। কিন্তু যোৱা ৪ ডিচেম্বৰ তাৰিখে সীমা দখল কৰা হৈ গৈছে। এতিয়া প্ৰশ্ন হৈছে যে এইটো মুখ্যমন্ত্ৰীদ্বয়ৰ সীদ্ধান্তনে? কেন্দ্ৰীয় চৰকাৰৰ Home Minister ৰ হে প্ৰৰোচনা?

Shri Mahendra Mohan Chaudhury (Chief Minister) :

এই বিষয়ে সদস্য সকলৰ যেনে—উদ্বিগ্নতা আছে সেইদৰে মোৰো আছে। অসম ৰাজ্যৰ সীমা সুস্থিৰ ভাৱে নিয়ন্ত্ৰণ কৰিব লাগে। এই কথাত কাৰো

দ্বিমত থাকিব নোৱাৰে। এই বিষয়ে শৰ্ম্মা ডাঙৰীয়াই কৈছে যে—নগালেণ্ড চৰকাৰৰ লগত বুজা পৰাৰে চেষ্টা চলাব লাগে। সেই চেষ্টাও নকৰা নহয়। আগেয়ে চিলোঙাও যেতিয়া মুখ্যমন্ত্ৰী আছিল তেতিয়া আমাৰ শ্ৰীচলিহা ডাঙৰীয়াও মুখ্যমন্ত্ৰী থকা অৱস্থাত দুয়োজনে আলোচনা কৰি এটা সিদ্ধান্তত উপনীত হৈছিল যে ১৯২৫ চনত যি সীমা নিৰ্দ্ধাৰণ কৰা হৈছিল সিয়েই বাহাল থাকিব লাগিব। কাৰণ গোটেই সীমাৰে প্ৰায় ৭০ মাইল ঠাইত কোনো প্ৰাকৃতিক সীমা নাই।

Shri Dulal Chandra Barua :

প্ৰাকৃতিক সীমা মানে ?

Shri Mahendra Mohan Chaudhury :

অৰ্থাৎ Natural Boundary পাহাৰ নদী ইত্যাদিৰে Boundary নিৰ্দ্ধাৰিত হৈ থকা নাই।

Shri Dulal Chandra Barua :

বৃটিছৰ দিনত শিলৰ খুটা পুতি সীমা নিৰ্দ্ধাৰণ কৰি দিয়া নাছিল।

Shri Mahendra Mohan Chaudhury :

Natural Boundary নথকাৰ কাৰণেই Govt of India Survey Party অনাৰ ব্যৱস্থা কৰা হৈছিল। আৰু ইয়াৰ কাৰণে যি টকা লাগে সেই টকা আমি জমা দিছিলো। কিন্তু নগালেণ্ড চৰকাৰে সেই পাৰ্টিক সীমা নিৰ্দ্ধাৰণৰ কাম কৰিবলৈ নিদিলে। তাৰ কাৰণে ভাৰত চৰকাৰৰ Survey Party ঘূৰি যাব লগীয়া হয়। যোৰহাটত এই সম্পৰ্কে এখন মিটিং বহিছিল। তালৈ নগালেণ্ডৰ মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰী আহিছিল। আমাৰো বিত্তমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী গৈছিল। তাত তেওঁলোকে কৈছিল যে—১৯২৫ চনৰ Notification তেওঁলোকে মানি নলয়। আৰু কলে যে সীমা আয়োগ নিযুক্তি কৰিব লাগে আৰু তেওঁলোকৰ যি বিলাক ঐতিহাসিক কথা আছে সেইবিলাক বিবেচনা কৰিব লাগে। আমি সেইটো মানি লোৱা নাই। নগালেণ্ড একৃত কোৱা হৈছিল যে ১৯২৫ চনৰ সীমা নগালেণ্ডৰ সীমা। কিন্তু তাৰ পিছত এনেকুৱা কোনো কথা হোৱা নাই যে Border Commission পাতিব লাগে আৰু আমাৰ

ৰাজ্যপালেও এই কথাটো তেওঁলোকক কৈছে। মই গোপনীয়তা ভঙ্গ নকৰা কৈ কও যে Deputy Minister, Home K. C. Pant যেতিয়া আহিছিল তেতিয়া তেখেতেও নগালেণ্ড চৰকাৰক স্পষ্টভাৱে কৈছে যে ১৯২৫ চনৰ Notification ত যি সীমা আছে তাকে মানি লব লাগে। আৰু ২ অক্টোবৰ তাৰিখে প্ৰধানমন্ত্ৰী আহোতে তেখেতৰ ওচৰতো memorandum দিছিলো। তেখেতে কলে যে ১৯২৫ চনৰ Border য়েই লৰচৰ নকৰাকৈ সীমা নিৰ্দ্ধাৰিত হব লাগে আৰু এটা ইয়াৰ সীদ্ধান্ত হব লাগে।

**Shri Debeswar Sarmah :**

এইটো Contradictory হোৱা নাইনে ? প্ৰধান মন্ত্ৰীয়ে কৈছে যে ১৯২৫ চনৰ notification অনুযায়ী সীমা নিৰ্দ্ধাৰণ হব লাগে আৰু আকৌ কৈছে যে এটা সীমা নিৰ্দ্ধাৰণ কৰিব লাগে। এইটো contradictory হোৱা নাইনে ?

**Shri Mahendra Mohan Chaudhury :**

মই কব লাগিছো, নগালেণ্ডৰ পৰা নতুন বে-দখল হোৱা নাছিল। সেই কাৰণে নগালেণ্ডৰ লগত এই বিষয়ে এটা আলোচনা কৰাৰ বিষয়ে ভৰা হৈছিল। কিন্তু অলপতে নগালেণ্ডে তিনি ঠাইত বেদখল কৰি পুলিচ চকী নিৰ্ম্মাণ কৰিছে। আৰু আমাৰ মানুহৰ চলা ফিৰাৰ প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। এই কাৰণেই আমি প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীক telegram যোগে জনাইছো। গোটেই telegram খন মই Public interest ৰ কাৰণে পঢ়ি দিবলৈ ইচ্ছা কৰা নাই। কিন্তু যদি তেখেতে বিচাৰে আমি আমাৰ telegram ৰ copy তেখেতক দিব পাৰো। কিন্তু এই টো থিক যে নগালেণ্ড আৰু অসম দুয়োখন ভাৰতবৰ্ষৰে অংশ! সেই কাৰণে সীমা বিবাদলৈ আমি নগালেণ্ডৰ লগত যুদ্ধ কৰিব নোৱাৰো। কৃতকাৰ্য্যতাৰে হস্তক্ষেপ কৰাত এই কাৰণেই এটা ডাঙৰ অন্তৰায় হৈছে।

**Shri Soneswar Bora :**

যুদ্ধকৰাৰ কথা কেনেকৈ হ'ল। নগালেণ্ড চৰকাৰে আমাৰ সীমা লংঘন কৰিছে আৰু আমাৰ সীমা উদ্ধাৰ কৰিব লাগে সেইটোহে আমাৰ কথা।

**Shri Mahendra Mohan Chaudhury :**

আমি যি কৈছো তেওঁলোকে মনা নাই। তেনেহলে তেওঁলোকক মনাবলৈ যুদ্ধৰ আৱশ্যক। কিন্তু মই আগতেই কৈছো যে নগালেণ্ডৰ লগত আমি যুদ্ধ কৰিব নোৱাৰো যিহেতু দুয়োখন ৰাজ্য ভাৰতবৰ্ষৰে অন্তগত। সেই কাৰণে কেন্দ্ৰীয় চৰকাৰক জনাইছো যে ইয়াৰ এটা ব্যৱস্থা কৰিব লাগে আৰু নগাসকলক সীমা উলঙ্ঘা কৰাটো বন্ধ কৰাব লাগে।

Shri Dulal chandra Barua :

আমাৰ Houseৰ পৰা কোনেও পৰিস্থিতিটো বুজা পৰা কৰিবলৈ চিন্তা কৰা হোৱা নাই। আগতেই যি সিদ্ধান্ত আছিল সেইমতেই আমি Status তোও maintain কৰি আছো কিন্তু নগালেণ্ডেহে সীমা উলঙ্ঘা কৰিছে। সেইটো বিবেচনা কৰা আমাৰ সদনৰ উচিৎ নহয় নে? বিবাদ আমাৰ চৰকাৰৰ নগালেণ্ড চৰকাৰৰ লগতহে। কেন্দ্ৰীয় চৰকাৰ Third Party. সেই কাৰণে নগালেণ্ডৰ Speaker ৰ লগত যোগাযোগ কৰি আমাৰ এই সদনৰ সদস্যৰ দ্বাৰা এটা Committee কৰি দুয়ো চৰকাৰৰ মাজত এটা আলোচনা মিমাংসা লৈ আহিবলৈ ব্যৱস্থা লব নোৱাৰি নে?

তাৰ পাচত যদি আমাৰ এই কথা বতৰা বুজা বুজি নহয় তেতিয়া হলে তাৰ ব্যৱস্থা পিচত বেলেগ ধৰণে আমি সিদ্ধান্ত কৰিম। মই ভাবো যে নগালেণ্ডৰ সদস্য সকলৰ কোনো vindictive atittude নাই। মাত্ৰ কেইজনমান মানুহেহে এইটো কৰিছে বুলি জনা যায়। দুই চৰকাৰৰ পৰামৰ্শ—আগবঢ়োৱা পাচত কেন্দ্ৰীয় চৰকাৰে মধ্যস্থতা কৰিব নালাগে। আৰু যদি কেন্দ্ৰীয় চৰকাৰে intervention কৰে তেতিয়াহলে সেই কথা পিচত চিন্তা কৰিম।

* Shri Mahendra Mohan Choudhury :

চাৰ, বৰুৱা ডাঙৰীয়াৰ যিটো পৰামৰ্শ সেইটো প্ৰসংশনীয় আৰু ইয়াতকৈ ভাল পৰামৰ্শ কি হব পাৰিব। যদি এইটোকে আপুনি পঠিওৱাৰ সিদ্ধান্ত কৰে আমাৰ সম্পূৰ্ণ সন্মতি আছে। কিন্তু আমাৰ ফালৰপৰা কৰিবলগীয়া একমাত্ৰ কাম হ'ল তেওঁলোকে কি কাম কৰিছে সেই কামত বাধা দিয়া। বন্দুক বাৰুদ চলোৱাটো যুক্তিসংগত হয় নে নহয় বিবেচনা কৰি চাব লাগিব। তাৰ কাৰণে ডাঙৰ সৈন্য সমাবেশ কৰিব লাগিব। আগেয়ে C.R.P. নিযুক্ত কৰা হৈছিল

*Speech not corrected

নগা Hostile দেখি পঠোৱাৰ কাৰণে। কিন্তু এতিয়া কেন্দ্ৰীয় গৃহমন্ত্ৰী যেতিয়া চবন আছিল তেখেতে যিকোনো ক্ষেত্ৰত C.R.P. নগা সীমান্তত ব্যৱহাৰ হব নালাগে বুলি স্পষ্ট নিৰ্দ্দেশ দিছে। যিবিলাক পুলিচ চকী আছে সেইবিলাকত আত্ম ৰক্ষাৰ বাহিৰে বন্দুক বাৰুদ চলোৱা হব নালাগে।

* Shri Soneswar Bora :

আত্মৰক্ষাৰ কাৰণে পুলিচ চকীত গুলী চলোৱা নিৰ্দ্দেশৰ কথা বাদ দিলেও সীমান্ত অঞ্চলত থকা কেইবা হাজাৰো খেতিয়কক নিৰাপত্তাৰ বাবে তাৰপৰা উঠি আহি-বলৈ নিৰ্দ্দেশ দিছে নেকি ?

* Shri Mahendra Mohan Choudhury :

হয় নিৰাপত্তাৰ কাৰণে নিৰ্দ্দেশ দিয়া হৈছে। কিন্তু কথা হৈছে নগালেণ্ডৰ পুলিছে যি কাম কৰিছে তাৰ প্ৰতিবন্ধকতাৰ বাবেহে আমি এই পৰিস্থিতিত পৰিছো। সেইহেতুকে ২খন ৰাজ্যই ভাৰত Union ৰ ভিতৰত এইটো পৰামৰ্শ নিয়া হৈছে যে দুয়োপক্ষৰ মানুহে কোনোফালে অহা যোৱা কৰিব নোৱাৰে। এই পৰামৰ্শটো তেখেতসকলে দিছে আৰু প্ৰধানমন্ত্ৰীয়েও ধৈৰ্য্যৰে শুনিছে, লগতে এই বিষয়ে সিদ্ধান্ত লম বুলি আশ্বাস দিছে। কালি Telegram দি জনাইছিল যে অসম এনে পৰিস্থিত পৰিলে কি কৰা উচিত হব সেইটো জানিব নোৱাৰিলে আমাৰ ফালৰপৰা ধৈৰ্য্য ধৰি থকা টান হব।

Mr. Speaker :

I have heard both the sides as regards the suggestion of Mr. Barua. It should come through a resolution or othrgh a motion.

Shri Mahendra Mohan Choudhury ( Chief Minister ) :

It is upto you to decide.

Mr. Speaker :

As regards the adjournment motion it is not necessary to hold another discussion when there is suggestion for a negotiation to send a delegation of this House to Nagaland. It is a long standing dispute. Therefore, in the meantime I would

---

*Speech not corrected

like to take up the matter with the Speaker of Nagaland about the delegation. In view of this the adjournment motion is disallowed. Now, Item No. 2.

## Presentation of the Report of the Enquiry Committee on the allegations against the Minister, Co-operation.

Shri Ataur Rahman :

Sir, I beg to present the Report of the Enquiry Committee on the allegations against the Minister, Co-operation and Agriculture, Assam Shri L.P. Goswami. I would like to point out that there are some Printer's devil cropped up on the body of the report and a corrigendum will be submitted in the afternoon.

Mr. Speaker :

Shri Dulal Chandra Barua has moved a resolution and another motion under Rule 130 (a). These resolutions will come according to Rule 138.

Shri Dulal Chandra Barua :

The subject matter is extraordinary. I have given in writing also that this is to be taken up the same day.

Mr. Speaker :

Under rule 130 (a) we have got another motion pending from before—that is my difficulty. Unless the House gives special precedence I cannot from my side bring it to the House.

Shri Dulal Chandra Barua :

These motions should get precedence Sir.

Shri Promode Chandra Gogoi ঃ

মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা 'মোচন' আছে। মই এইটো পঢ়ি দিছোঁ। ।

( This Assembly having taken into consideration the majority as well as the minority report of the Enquiry Committee on the allegations against Shri L.P. Goswami, Minister of Co-operation and Agriculture, Govt. of Assam resolved to adopt the minority report submitted by the minority members of the Committee namely Shri Phani Bora, Hiralal Patwary and Shri Atul Chandra Goswami )

Mr. Speaker :

Mr. Choudhury, have you got anything to say on this motion ?

Shri Mahendra Mohan Choudhury ( Chief Minister ) ঃ

Regarding admissibility of the motion it is for you to decide, Sir.

Shri Gaurisankar Bhattachayya :

So far as the movers of other motions are concerned they are agreeable to allow this motion to take precedence over any other. All the other motions are in the name of Shri Barua and he is agreeable to give this motion precedence over other motions.

M. Shamsual Huda :

We will give priority to this motion over other pending motions and resolutions.

Shri Phani Bora ঃ

Sir, the report of the enquiry committee has just been presented to the House. We should not take a hasty decision just now. Let the hon'ble members go through it.

You may in the meantime have a consultation with leaders of different parties and then fix a date for discussion so that the House can pass an opinion with regard to the inquiry report.

Shri Dulal Chandra Barua :

Sir, everybody is willing to discuss this motion. When a report has been submitted by Committee of this House we must discuss it. And, a date may be fixed after consultation with the leaders of both sides.

Mr. Speaker :

Now, as suggested I will discuss the matter with leaders of different groups today at 12.30.

Now, let us pass on to next item.

## Special Motion

Special Motion -"This Assembly do now take into Consideration the Twenty fourth Report of the Estimates Committee on the Department of Public Works (F. C. I) wing presented to the House on 1st April 1970."

*Shri Dulal Chandra Barua :

Sir, I moved this Special Motion in the last Budget Session. I simply started then. An there was no quorum the Deputy Speaker was kind enough to stop that discussion.

Mr. Speaker, Sir. I have said on many occasions that the House has got two most important committees.

*Speech not correct

One is Estimates Committee and the other is Public Accounts Committee. Many sittings of these Committees have been held since their inception and many a recommendations have also been made. But it is matter of great regret that none of these recommendations concerning the better functioning of the Govt. departments, has been given due cognizance by the Government. Sir, you yourself was also the Chairman of the Committee sometime back and you made many recommendations for the improvement of the accounts matters and the administrative matters. If you analyse or make an assessment, Sir, you will find that no effective steps have so far taken by the Govt. to implement those recommendations. Had these recommendatione been given due cognizance by the Govt., I am sure, there would have been great improvement in the administration. I want to draw the attention of the Chief Minister, so also the Finance Minister to this aspect of the matter so that the recommendations that are made by the various Committees of this House are given effect to. They should ask all the Departments to follow the recommendations forth with. If this kind of strict attitude is followed by the Govt. then I think there will be some improvement in the administration. Now, it seems Sir, this Assembly is here only to conduct few sessions in a year, like Budget Session, Autmn Session, Winter session, etc, and as soon as the session of the Assembly is dissolved or prorogued, no cognizance of this House is being taken by the Govt. Government has failed to give due respect to this House which is supreme in making

legislation. Therefore, my earnest request to the Chief Minister and the Finance Minister is that they should look into these things very seriously and see that the recommendations made by the House and its various Committees are seriously taken and implemented properly. Now, Sir, the 24th report of the Estimates Committee on the Flood Control and Irrigation Department gives us a very gloomy picture about the functioning of the Deptt., and how they are wasting public money in various ways. In this scientific age the schemes are to be prepared scientifically. But from the report it appears that the schemes were taken up most haphazardly and almost all the projects that were taken up by this Department have failed. Though the Departmental officials are considered to be technical personnel and right persons to guide the destiny of the State so far as the irrigation and protective measures against floods are concerned, it is seen that they are doing a lot of harm to the people and also to their profession and they are not applying their mind to the job. They have been doing things on political consideration and at their whims for which our poor State has been suffering a lot due to recurring floods and erosions.

Now, let me come to the remarks that have been made by the Estimates committee in respect of this Department. The committee has made certain observations in respect of certain projects and the observations are to be found in page 2 of the Report. The committee made mention in its report the following works:

1. Construction of embankments along main rivers and their tributaries.
2. construction of drainage channels.
3. providing sluices in embankments.
4. Raising and strengthening of existing embankments
5. providing raised platforms for shelter of the flood affected people during flood.
6. Town protection and river training works.

The medium irrigation programmes envisaged under the plans so far include the following:

1. Establishment of River Research station.
2. Jamuna Irrigation Scheme.
3. Sukla Irrigation Scheme.
4. Patradishas Irrigation Scheme.
5. Longa Irrigation Scheme.
6. Dhansiri Irrigation Scheme.

The Planning Commission fixed an outlay of five crores for flood control schemes for the Third Plan. There are till date 347 schemes at hand of various dimensions spread throughout the State. The original estimate including land compensation of these schemes stood at Rs. 26,38,79,589. The ultimate expenditure including land compensation after completion of most of the projects till date stands at Rs. 21,79,08 698. The total expenditure on flood damage repair till date stands at Rs. 494,08,768. The schemes were aimed at benefitting

a total area of 18,68,384 acres approximately including town land. The total amount involved in benefitting this area (including year to year flood damage repair) comes to Rs. 26,78,17,466 till date. Upto the end of Third Plan, no major irrigation project was taken up. During this period the Planning Committee approved an outlay of Rs. 2,28,00,00,000. An amount of Rs. 1,68,00,000 was provided for the Jamuna Scheme, Rs. 50,00,000,00 for other schemes and Rs. 20,00,000 for investigation etc. The Jamune scheme and the Sukla scheme received approval of tha Planning Commission for implementation during the Third Plan period. The C.W.P.C. took up investigation and survey of the Jamuna Schemes from 1958-1960 and submitted the project report and preliminary estimate in 1961 amounting to Rs. 1,93,00,000. But due to non-availability of wire this work could not be commenced, and the site of the weir originally fixed had to be altered. This entailed fresh survey and soil exploration which could be completed in the latter part of 1964. The scheme could be started in the 4th year of the Third Plan.

Some preliminary works on the Sukla Irrigation scheme were started in 1964-65. Due to various reasons the construction work could be commenced only during the working season of 1965-66. A statement showing the estimates and expenditure so far incurred on these two schemes including survey and investigation is appended as Annexture A. It will transpire that inspite of Planning Commission's total outlay of Rs. 228 lakhs the Jamuna Scheme and Sukla Scheme were conceived of at an estimated cost

of Rs. 696 lakhs, An amount of Rs.260.41 lakhs thus spills over to the Fourth Plan. No irrigation potential was created within the Third Plan Period. A statement showing the physical target aimed at by the two schemes is appended as Annexure B. The target of benefitting an estimated area of 165,000.00 acres is yet to be assessed. Therefore the Committee observed as follows :

The Committee is constrained to note that the two schemes were over—ambitious in view of the paucity of fund. The execution of the Jamuna was delayed owing to initial mistakes in surveying and designing. Although the expenditure incurred in re-designing and re-surveying the scheme was only Rs. 12.80 lakhs, this amount could have been saved had the engineers been careful at the preliminary stage.

Therefore, I submit that due to haphazard execution of schemes and non-application of scientific data many of our projects have failed. Not only that these projects did not give any benefit to the pepople but the entire money was wasted. Therefore, schemes should not be taken up on political consideration or whims ; these are to be taken up after proper survey and investigation so that these schemes can bring real benefit to the people for whom these are meant. Sir, we expected many things from the Jamuna and Sukla projects but uptill now these have not given any benefit to the people. Therefore, my submission to the Chief Minister, who is also the Minister-in-charge of this Department, to look into this and see whether the out-dated schemes we have already taken up can be re-oriented or re-modelled for the benefit of

the people. We have already spent a huge amount of money in these schemes, and if by spending a little more we can give benefit to the people we should do it immediately. But this should be done on scientific basis and after proper assessment.

Sir, the most important aspect of thing that has been observed by the Committee at page 4 is about the River Research Station. We have repeatedly pointed out to the Government that unless soil testing or other research is made on scientific basis and the schemes are taken on the basis of the research formulae then there is a chance of sure failure of any project taken up by Government. The Research Station is not also properly manned ; they are not properly equipped with scientific instruments. Sir, you know that soil in our State differs from place to place. In north bank the soil is of one kind and in the south bank it is another. In the same way the topographical position is also different from place to place. Therefore, research is highly essential before taking up such schemes. The Committee has rightly observed that the Research Station should be well equipped with well trained personnel. I am told, after the constitution of the Brahmaputra Commission there is the scheme for development of the Research Station. The Committee rightly observed here "that whatever personnel at the Station, was constantly under transfers and it was evident that some unwilling hands manned the station bereft of many of the usual facilities. The Committee is of the opinion that a special treatment should be accorded to officers attending the station so that the very best could be attracted.

As it is, it seems that the Research Station has not been properly manned and it has not been able to render proper service in the field." Therefore, Sir, I hope the hon'ble Chief Minister will look into the matter and see that this Research Station is properly manned not only by experts but properly equipped with necessary apparatus which is so essential for any survey work, testing work etc, and I hope it will be properly equipped with efficient personnel. If experts hand are not available, I hope that Government will take difenite scheme for training of our engineers outside the country. I am glad that some of our professors have come back with proper training from outside and appointed as Executive Engineers etc.

Now coming to the flood control measure here the Committee has observed in page 4—last para "in course of on-the-sport enquiry of various flood control schemes the Committee met the local people and in most cases they complained that embankments are not constructed on scientific lines and as a result of this frequent breaches take causing devastation to vast areas. In most cases there are delays in execution of work and before a project is actually completed the extent of the damage caused is so much that the very object of taking up the project is defeated. There were also instances where according to project reports embankments are envisaged at a prescribed height 3 to 4 feet above H.F.L., whereas on examination it was found to be barely above the danger mark. "Therefore, they have observed rightly—" variations in estimates were inscrutably many. Just to cite an example

in 1962 a work under the Silchar Division was taken in hand. In September, 1965 the project was revised. The original provision of earthwork was Rs. 2.7 lakhs and it was revised to Rs. 3.8. lakhs. The original provision for sluices was Rs. 4.44 lakhs for 4 sluice gates and it was revised to Rs. 6.5 lakhs for two sluice gates. The base of the dyke was to be 50' but actually it was found to be only 31'. The top formation was found to be only 8.69 feet. The Committee came across instances of this nature in galore. Whatever the explanations of the Deptt. it remains that lack of proper supervision must have resulted in wastage of public money. Moreover, the Committee was of the the opinion that such variation in estimates by taking away more money in respect of particular schemes at particular places were instrumental in depriving other areas of vital schemes for which money would naturally be lacking. „That is why we have pointed out that due to lack of proper supervision many projects have failed and these projects could not render any service to the people. Government should be very vigilant and strict about the recommendation and under ordinary oircumstances they should not encourage the revised estimates: Once the estimate is made on a particular project it should be final unless any extra-ordinary situntion arises and in that case also it should have the approval of Minister concerned or if necessary it should go to the cabinet. Therefore, my submission is that the Government should be very very careful in taking up pojects and

should see, after a project is- taken up, it is supervised properly. Again the committee has observed ., the committee is of the opinion that variations in estimates increasing amounts should be discontinued. It should be remembered that the Legislature while sanctioning amount for particular schemes does not necessarily close the door for other schemes in other areas as would be the case with increase of amounts to schemes already sanctioned. „ Now what happens : if one scheme is taken up in particular areas leaving the other, without which the first scheme cannot be a succesful one, naturally the firstscheme taken up by the Department will be meaningless, this is what happened in Bardalanti. They have constructed dykes in such an unscientific way that the whole area, which was once the granary of that areas has been converted into a barren land and the people have been made beggars. I have told Mr, Kumare to visit that area. (At that stage Mr. Speaker vacated the Chair and Mr. Deputy Speaker occupied it). Here I like to mention about the Jiadal project. It is due to negligence of the Departmental officers the projects have failed and people have been made to suffer like anything. If this is the plight of this department, I do not know in what way they can bring or create confidence in the minds of the people. Now, instead of praising for these projects or giving cooperation for implementation of these projects, the people are cursing the E. & D Department saying that it would have been better not to

construct the bunds which have created human fisheries. Sir, Bordonoli was the granary of Assam and the E,& D Engineers have converted it to a human fishery the same way as Majuli was converted once. If the Government do not have any scientific project then there is no use of taking them up. Why these should happen ? Because they do not have any clear idea ; they do not have the foresight. Again, Sir, the admsnistrative approval for projects are generally given in the last part of the year resulting in enormous difficulties for carrying out the work within time limit. The hon'ble Chief Minisier knows that the Engineers themselves create certain viacuum in the bunds so that it can cause damage and these people can get money. Therefore, Sir, the Committee has rightly observed that "There is no adequate survey and collection of date of rivers"-which is to be done by the Research Wing. 2. the original alignments, in many cases, were all washed away. 3. The usual distance between river bank and embankment was not adhered to in many cases thus endangering most constructed embankments. 4. In the name of F. D. R. new projects have been taken up the expenditure which are in many cases several times more than the expenditure provided in the original estimate.

The Engineers will be jubilant when they hear about it but the the Committee expressed their surprise about it.

5. The Department is not aware. of the ultimate expenditure due to non-finalisation of land compensation cases. No scientific project. 6. In great majority of the embankments the borrow pits are dug immediately by the side of the embankments which according to specifications, should be at a distance of at-least 50 feet away from the embankments. ( Generally it

has to be 50 feet away from the embankment but it has not been followed ).

7. Wooden spurs were not erected where there ought to have been erected.

8. Masonry work is found to be very defective.

The right type of mixture is not given. Instead of giving full mixture they give more sand which make the mixture very weak.

9. The expenditure on gunny bags and sal posts could not be accounted for.

This is a very dangerous thing—this gunny bag business. I do not know whether the Hon'ble Chief Minister knows about it or not— last year the Chief Engineer, Flood Control ordered for gunny bags worth rupees 75 lakhs—I have got documents to prove it but I do not like to place it here. I would however, like to know whether those gunny bags were purchased or not. To my information, not a single gunny bag had been purchased. I want a categorical reply from the Hon'ble Chief Minister whether he knows about it and if so whether any action has been taken against the concerned officers. Now the office of F.C.& I has been shifted from here to Gauhati and this has placed the Engineers in a very pleasant mood—nobody is to be found in the office. Not to speak of the Engineers, even the Under Secretaries are not to be found in the office. I do not know in what way the Department is functioning. I wanted to know about that 75 Lakhs business, the person responsible for this is still being allowed to continue as a Chief Engineer who ought to have

been sacked long ago. Sir, that day we had referred about an excess expenditure of Rs. 11 crores. The House, I am confident, will allow that excess expenditure if the Government can account for the expenditure of Rs. 75 lakhs on gunny bags. But where are the projects where the money have been spent ? Has it been spent ? Has it been spent or it has go nein somebody's pocket. I say, at least 95% of it has gone in somebody's pocket—without any work. I would like to know whether the Hon'ble Chief Minister would enquire into the matter.

Sir, an enquiry was ordered on a certain project. But what happened ? The enquiring officer was pursued to take dinner in the house of the alleged guilty person. Therefore what happens ? He is morally bound to give a partial report

Sir, I know the Hon'ble Chief Minister is an honest person, at least he wants to be honourable but he should be very careful. There is a big curtain behind his back and there are smugglers, swindlers, black.marketeers who want to exploit his name and who want to damage his stature before the public. He should be very much careful about them. If he is not very careful, I am afraid about his leadership.

I am afraid about his leadership. I must give him a note of warning. If he does not give up the habit of having big receptions, these big receptions instead of being blessings may become curse,

Mr. Deputy Speaker :

Mr. Barua, how long you will require to finish. ?

Shri Dulal Chandra Barua :

Hon'ble members that the department concerned with the collaboration of the Revenue department have fixed the valuation at high rate for which instead of spending money for the project, in making payment of land compensation, maximum amount has been spent. So I would request the Government that special machinery should be set up for making such kind of assessment so that there cannot be any anomalies in respect of fixing the valuation. Sometimes, it so happens that due to construction of dykes of E&D, many people had been evicted and they were to leave their hearth and homes but they were not paid the land compensation in proper time. My contention is when lands were acquired why government could not make land compensation earlier, i.e, before the work started and rehabilitate them. Therefore government should note the recommendations made by the committee in this respect and the government should adopt expeditious method for making payment of land compenssation and also assesment of valuation in proper way. Now Sir, eoming to the Head of the contract, the committee had observed that sometimes it so happens that the work was alloted by the department without any work order.

These poor persons, viz., our local indigenous contractors, have to share on a 50:50 basis ; unless that is done they are not paid. Take the instance of Desangmukh project, the Superintending Engineer in charge requested me and my

colleagues to find out local contractors for supplying bamboos and other things. Accordingly, many young boys from Jorhat and Sibsagar were asked to supply b mboos and other materials. Yesterday I have received a letter that no payment has been made as work-order was not formally given. Out of frustration these boys have written that unless we share on a 50:50 basis we are not going to be paid. This is a very serious matter, which the Government should look into immediately.

Then, Sir, it has been observed that somtimes inexperienced contractors are given work, who do not have adequate funds and capability. Sometimes contractors are selected on political pressure irrespective of their financial and other capabilities and for this the works remain incomplete. It benefits neither the contractors, who do not get their payment nor the purpose of the project is fulfilled. Therefore, Sir, at the time of allotting contracts Government should see that proper contractors are selected who can complete the work in due time. In this connection, I would again submit that administrative approval for different works should be given in such a way that the works can be started in the beginning of the working season, i.e., from October or November.

Then, Sir, the Committee has made an observation : "the Committee is concerned to note that although various flood control schemes have been undertaken the Committee could not come into a definite conclusion as to the actual benefit derived from the schemes by the people". Though no assessment has been made whether the people have been

benefited, betterment levies have been imposed in many places, as for instance in Dibrugarh. The Dibrugarh people have not derived much benefit from the spur project ; Government has not been able to give security of life and property to the people of Dibrugarh, but still they have levied betterment fees on the people. I do not find any justification, when the Government have totally failed to protect the life and property of the people from erosion, to levy and betterment fee from the people of Dibrugarh or from those living near-about such projects.

Then, Sir, the Committee has rightly recorded : "The Committee recommends that the matter may be referred to the Department of Statistics for assessing the total areas benefited by each of the schemes and submit a roport to the House". This recommendation is to be strictly followed and the Statistics Department should be asked to make the assessment. Only on that basis the question of imposition of betterment levy can come in, otherwise not.

Now, Sir, another observation has been made about the sramik bahinis. This is a recurring phenomenon. The Sramik Bahini Act was passed with the best of intentions and the Hon'ble Minister for Roads and Buildings is also bringing forward an Amending Bill. But what do we find in actual practice ? In the name of sramik bahinis one or two moneyed individuals have benefited, even outsiders have been imported by some local officers for their own benefit and these people are given contracts. I can cite many instances of this kind. Sir, the object of the Sramik Bahini Act was that the economic resources of our local people were

limited and with the constitution of sramik bahinis they would be able to pull their resources together and take up work on different projects and thereby earn their livelihood. But the whole object has been defeated. The sramik bahinis have become the monopoly business of a few at the cost of many. I, therefore, submit that Government should be very vigilant in respect of implementing the Act, so that it serves the purpose for which it was enacted. My earnest appeal to all concerned is to look into this matter very seriously. Sir, the way things are going now, we cannot give any economic relief to the people. We have also to consider the problem of our unemployed youngmen and the educated engineers. If we cannot absorb them in a proper way they will not hesitate to go against the interest of the State, which may also create a law and order problem. Therefore, I earnestly appeal to the Chief Minister and the Finance Minister to give liberal financial assistance to the local educated youths. They should be asked to form sramik bahinis and corporations. The educated engineers may be given financial assistance and liberal bank loans, so that they can go in for contract work. They have got that patriotic spirit. If they get an opportunity to work, they will work whole-heartedly, not only for their own benefit but also for the benefit of the people of this State. Government should keep this aspect in mind and act accordingly.

Then, Sir, I come to another important matter. i.e., the construction of sluice gates. The number of sluice gates to be constructed on a particular bund was not calculated on a scientific basis. These were constructed in a haphazard

manner, mostly on political considerations. The sluice gates have, therefore, become purposeless, causing immense distress and difficulties for the people. These sluice gates, as I have said, should be constructed on a scientific basis. The E & D flood control measures generally should be based on proper survey, soil testing, etc. For instance, you are aware, Sir, about the Jhanzimukh-Neamati bund. In spite of our repeated appeals and request for the construction of a sluice gate nothing has been done so far. You are also aware how the entire Hatigorh Mouza in Jorhat subdivision and part of the Charigaon Mouza were inundated during the last rainy season. Now the people are facing starvation. Unless immediate relief measures are undertaken,

I am afraid that the people may die of starvation. I have given a note of warning that if a single sole is lost due to starvation I am ready to sacrifice my life, And if I am not in a position to convince the Govt. to save their lives and properties then I am unfit to be their representative. In such a case I shall go for an indefinite hunger strike. Sir, if this in the attitude of the Govt, then I do not know in what way the Govt. can claim that they are following the ideal of socialistic pattern of society. Now,Sir I am afraid about the importance of the various projects. The committee rightly observed that the projects taken up by the Govt. are of no use. We are receiving loans from the Govt. but our Govt. Deptts or departmental head do not know in what way these loans are to

be spent and to be refunded. They do not know how to spent the money. I can say that these benefits are not meant for the common people. Sir, if you go through the working of the various projects for the last 10 years you will find that not a single project could succeed. Who are to be blamed? Are we to be blamed for that? No, not at all. It is the Experts who are to be blamed. It is the Experts who are there in the E & D Depptt. to be blamed. They are not capable of proper planning. They have got money but they do not know how to spend it. They are not conversant with the plans and programmes; They are acting just like the foreigners. Their working is worst than what was done during the British regime. They are not working like the citizens of this country. Sir, if these things are allowed to be continued then a day will come when our dead bodies will be taken out from our graves and dishonour it. We cannot hoodwink our people for an indefinite period. It is known that Mr. Banikya has betrayed us, the country and also his conscionce.

Now, Sir some observations have been made about the stone spurs. It has been rightly pointed out by the committee that the spurs are not erected properly. I am specially speaking about the spurs at kokilamukh where the estimates were not properly made. The expenditure has gone up. In the papers they have shown some savings but in actual sphere there is no saving. I am not an engineer neither I am speaking as an expert, my point

is that the 9 spurs on the upper region of the Nematighat are useless ones and a huge amount of money has been spent without any benefit deriving out of them. It is our duty to urge upon the Govt. to see that the Engineers are applying their scientific knowledge to make out a plan. The technical know how should be perfect otherwise no plan or project will be successful. I have already submitted a memorandum to the Govt. of India and as well as to the Prime Minister and I hope the Govt. of Assam will be pleased to examine those points.

Now, coming to the conclusion I want to make certain observation. Here the committee in its conclusion has given a detailed report about the various anomalies committed there. We should examine the geographical and topographical circumstances and then plan out a project. We have got no planning. We have got no forsightedness. We cannot see things in its proper perspective. The schemes taken up by Govt. are completely wrong. Therefore, I would suggest that a rethinking is necessary. There should be a reorientation about the various ways of planning. May I request the hon. Minister incharge of planning through you Sir, who has got a long experience about planning, to carry out these works in its natural way. The hon. Minister was associating himself with the planning Deptt. of the Govt. of Assam. He was there for a pretty long time and therefore he should encourage the officers to work for the country properly. This is the time to change our

ideas. They should plan a thing on the basis of the present circumstances and see whether proper evaluation is made, whether proper assessment is made in respect of planning. They should collect the datas beforehand and then plan a project, I would request the Minister-in-charge to gear up the Economics and Statistics Deptt. so that they can collect the datas as regards planning. The Directorate of Evaluation should be properly projected so that it can bring an co-ordination between the various connected Dept. of the Govt. so that proper planning may be made.

Here the Committee has rightly pointed out lack of proper planning and supervision is main hindrance for non-fulfilment of the aim. Sir, in this connection I would like to say that the officers of the E & D Deptt. are moving around various places. They used to stay at the Circult House and Dak Bungalows and they never go to the fields to see the practical working of the projects. The result is that the subordinate officers are sometimes left without proper guidance what to do or what not to do. There I want to draw the pointed attention of the hon.Chief Minister to this matter. Moreover the services of the River Research ( At this stage Mr. Deputy Speaker vacated the Chair and Mr. Speaker occupied it ) Station do not appear to have been properly utilised for the purpose of development. Had it been done so the planning could have been done on scientific basis. These recommendations are to be seriously noted. The Committee also recommended that there should be

coordination between the Flood control and Agriculture Deptts, and also with Brahmaputra Commission. We have seen that there is no coordination in between these deptts, I do not know whether the hon.Chief Minister is aware of it or not. It is practically a tug of war going on for power. Very recently, I have been told that the allocation of work between the Commission and Flood Control Deptt. has been divided. But still a tug of war is going between these two wings. I am afraid, what will be the outcome of the Brahmaputra Commission. They are crazy for power, they are crazy for vehicles, they are crazy for acoommodation and, for what not. If this be the thing then the main purpose of the Brahmaputra Commission will be frustrated. Apart from this, the money which has been promised by the Govt. of India, whether this will be coming at all or not. I am not much keen to beg from the Govt. of India. Govt of India should be made clear in unequivocal terms that we are not beggers. It is our legitimate dues. They must give it. Even if they do not give money we should carry on with our own resources. We should always depend on ourselves. We have got our resources, we have got everything. Sir, I have already said that if any project cannot be completed within proper time that project should not be taken up at all. Let us take up a new project only after completion of earlier one.

Next, Sir, I have found the Chairman of the Brahmaputra Commission touring around. I do not know what is their findings. I have made my contention clear to Dr. K.L. Rao, Union Minister for Irrigation and power, that

instead of starting major works at Brahmaputra the works on other tributaries should be taken up first so that we can later on study the course of Brahmaputra and start the protection work to this effect. But, I do not know what they are going to do about it. I submit again, Sir, that the tributaries of the Brahmaputra must be controlled first, and no time should be wasted in touring or studying things in this way. Now, my submission is that the flood control Department and the Brahmaputra Commission should work side by side in close co-ordination with each other and a comprehensive scheme be taken up by both so that they can work effectively and efficiently. If the Brahmaputra Commission cannot show any progress of work and the people of the state is deprived of the benefit of the project for which the Brahmaputra Commission has been constituted, then the entire blame will be on the Chiet Minister who was then holding the charge of the department of Flood Control and, is now also holding the charge of the same Department. Therefore, I request the Chief Minister, through you. Sir, that he should note this point very seriuosly. If he thinks by constituting the Brahmaputra Commission no fruitful purpose will be served then I advise him to abandon the scheme forthwith. But, if he consider by constituting the Commission the interest of the State in respect of protection works and other flood control measures, will be served then he should compel the Govt. of India to provide money immediately. I think, our Chief Minister is visiting Delhi shortly. He should take up this matter with the Govt of India in

his forthcoming visit there and convince the Govt. of India about the feelings of this House.

Again, I want to say that the money may not be there from the Govt. It may not come at all. For this reasons Govt. should not allow employees whom they have served notice of retrencement to starve. I think their number will be about 60 thousands or so. These people should not be allowed to starve on the plea that there is no money.

Next, Sir, there are some local contractors who have not been given payment of their bills even after completion of works Govt. promised to give them payment. But till now no payment has been made. In the meantime, there are some favourite contractors of the high-ups in the Department they got the payment by paying some thousands of rupees here and there. I want also the Chief Minister to look into this matter also. If he wants I can give him a list of officer indulging in this type of corruption.

At last I would like to say that the Committee has very rightly suggested that there should be local vigilance Gommittee in the State level comprising of the members of this House and also in the district level. The vigilance committee should comprise of conscientious persons to keep the closest watch on the progress of flood control measures and embankments and point out to the proper authority, or complaint or any action detriment to the scheme. I fully support this recommendation. I hope, Govt. will seriously think over it and set up such Committees so that money provided for certain schemes spent properly.

With these observations, Sir, I command my motion for discussion in the House.

Shri Kamini Mohan Sarma : মাননীয় অধ্যক্ষ মহোদয়, মই এই Report টো দেখি বৰ আচৰিত হৈছো। এই flood control ৰ নামত E. & D, বিভাগটোৱে কেবল মাত্র টকাহে খৰচ কৰিছে আৰু সেই খৰচৰ বিনিময়ত জন সাধাৰণে যি কাম পাব লাগিছিল সেইটো পোৱা নাই। এই বিভাগে শতকৰা ৭০ ভাগ টকা সম্পূৰ্ণ ভাবে অপব্যয় কৰিছে। মাত্র শতকৰা ৩০ ভাগ টকাৰহে কাম হয়।

অধ্যক্ষ মহোদয়, আপুনি আচৰিত হব যে এই বিভাগৰ কাম বিলাক খৰালিত আৰম্ভ নকৰে আৰু সেই কাম বিলাক কৰিবলৈ বাৰিষা কাললৈ বৈ থাকে। নবেম্বৰ, ডিচেম্বৰ মাহত যি বিলাক কাম আৰম্ভ কৰিব লাগে সেই বিলাক কাম মাৰ্চ এপ্ৰিললৈ লৈ যায় আৰু ফলত বানপানীয়ে মঠাউৰী আদি উতাই লৈ যায় আৰু এই কামৰ বাবে ব্যয়ৰ এটা হিচাপ দিয়াই যেন এই বিভাগৰ দায়িত্ব। বাস্তৱত এইটোৱেই পৰিলক্ষিত হৈছে। মাঠাউৰী আদি বান্ধিবলৈ বা নদী নিয়ন্ত্ৰণ কৰিবলৈ নদীৰ গতি বিধি নিৰীক্ষণ কৰি সম্পূৰ্ণ তথ্য পাতি লৈ কৰিব লাগে। তাকে নকৰি লাখ লাখ টকা খৰচ দেখুৱালেই মাথাউৰী বন্ধা বা নদা নিয়ন্ত্ৰণ কৰা নহয়। অতি দুখৰ কথা যে বিভাগীয় কৰ্ম্মচাৰীসকলে এই বিষয়ত উদাশীন। উদাহৰন স্বৰূপে যোৱা বাণ পানীত পূথিমাৰী নৈ খন উফন্তি যেতিয়া পাৰৰ মাঠাউৰী ভঙাৰ উপক্ৰম কৰিছিল সেই সময়ত অৰ্থাৎ জুলাই মাহৰ ১৫ তাৰিখে বিভাগীয় কৰ্ম্মচাৰী সকলে যি ধৰণে ব্যৱস্থা লব লাগিছিল বস্তা আদি যোগান ধৰি তাৰ কোনো প্ৰকৃত ব্যৱস্থা কৰা নাছিল। আৰু ৰাতি বৰচলাত আৰু বগৰীবাৰীত সেই মথাউৰী চিঙে। আকৌ ২৩ তাৰিখে বগৰী বাৰী আৰু ধোলকুছিৰ মাজত যেতিয়া পানীয়ে মাঠাউৰী ছিঙিব খুজিছিল সেই সময়তো বিভাগীয় কৰ্ম্মচাৰীয়ে সেইবোৰ চোৱা চিতা কৰা নাছিল। মই নিজে গাৱলৈ গৈ গাৱৰ মানুহক লগত লৈ কিছুমান বস্তাত বালি ভৰাই গাৱৰ মানুহৰ সহযোগিতাত কোনো মতে ৰক্ষা কৰা হল কিন্তু বিভাগীয় কোনো কৰ্ম্মচাৰী নাছিল। গধুলি মই নিজে গৈ বিভাগৰ S.D.O. ক অনুৰুধ কৰিছিলো যাতে গানী ৰেগ আদি দি যাতে চৰকাৰে এই গাওঁখনৰ ৰক্ষাৰ কামত

সহায় কৰে। আমি জনাত গানী বেগ কিনাত লাখ লাখ টকা খৰচ হৈছে। অথচ ১৫ জুলাইৰ দিনা প্ৰলয়ঙ্কৰী বান পানীৰ গৰাহৰ পৰা পুঠি মাৰী নদীৰ মঠাউৰী ৰক্ষা কৰিবলৈ সময় মতে চৰকাৰৰ গানী বেগ নোলাল। এই বিষয়ে মই বান নিয়ন্ত্ৰণ মন্ত্ৰীৰ লগত তেখেত হাজোলৈ যাওতে বিভাগীয় ইঞ্জিনীয়াৰ জনক লৈ গৈছিলো। তেখেতে কৈছিল যে চৰকাৰৰ গানী বেগ নাই। পানী over Top হৈছে তেওঁলোকৰ খবৰ নাই। এই বান পানীতেই ৰাষ্টীয় পথ বুৰিল। মানুহৰ অশেষ ক্ষয় ক্ষতি হল বহু পৰিয়ালৰ ঘৰ বাৰী উটি গল। গৰু মানুহ মৰিল। মানুহৰ দুখ দুৰ্গতিৰ সীমা নোহোৱা হল। এমাহ ৭ দিন ধৰি ৰঙিয়া চাৰ্কোলত ৪ খন মৌজা পানীয়ে বুৰাই অতি সৰ্ব্বনাশ কৰিলে। দুখৰ কথা চৰকাৰৰ বিভাগীয় কৰ্ম্মচাৰী সকলৰ লেহেম গতিত চৰকাৰী টকা অপচয় হল আৰু ৰাইজৰ দুখ দুৰ্গতিৰ পাৰ নোহোৱা হল। বিভাগীয় কৰ্ম্মচাৰীৰ খাম খেয়ালি আৰু লেহেম গতিত আৱশ্যকীয় জিনিচ পত্ৰৰ অভাৱত অৰ্থাৎ গানী বেগৰ অভাৱত অকল মোৰ সমষ্টিতেই নহয় সমগ্ৰ অসম খনতেই বান পানীয়ে ৰাইজক জুৰুলা কৰিছে। মই কৈ আহিছো যে গানী বেগ কিনাৰ বাবত চৰকাৰে লাখ লাখ টকাৰ বিল ঠিকাদাৰক পাচ কৰি দিয়ে। এই বিভাগ টোৰ অবহেলা আৰু কৰ্ম্ম শিথিলতাৰ কাৰণে এই বিভাগৰ শতকৰা ৭০ ভাগ টকা অপচয় আৰু আত্মসাৎ হয়। গতিকে এই বিভাগটোৰ ক্ৰিয়া কলাপৰ এটা চোকা পৰীক্ষা কৰি চৰকাৰৰ আয়ত্বলৈ আনিব লাগে। যদি তাকে কৰা নহয় তেতিয়া হলে অনিয়ন্ত্ৰীত নদীৰ সোতে পাৰ ভঙাৰ দৰে চৰকাৰে অৰ্থৰ ভৰাল ক্ষয় কৰিব। আৰু ৰাইজৰ দুখৰ সীমা নোহোৱা হৈ যাব।

নদী নিয়ন্ত্ৰণৰ উদেশ্যে ব্ৰহ্মপুত্ৰ কমিশ্যন এটা কৰা হৈছে। কিন্তু কাৰ্য্য ক্ষেত্ৰত কি ৰূপ লয় সেইটো এতিয়াই কোৱা টান। গতিকে আমি বৰ হুচিয়াৰ ভাৱে মানুহ নিয়োগ কৰিব লাগিব।

আজি এইটো পৰিলক্ষীত হৈছে যে আমাৰ নিৰ্ম্মাণৰ কাম বিলাকত অসমৰ বাহিৰত অথাৎ বিহাৰ U. P ৰ আদিৰ পৰা ঠিকাদাৰ আৰু কৰ্ম্মীৰ আমদানী কৰে। আমাৰ স্থানীয় মানুহে সেই ঠীকা আৰু কামত সুবিধা নাপায়। যোৱা বছৰ ৰঙিয়া সমষ্টিৰ ভিতৰত পুথিমাৰীৰ মাঠাউৰী বন্ধাৰ

কামত অথাৎ ৰঙিয়া গুৱাহাটীৰ ৰেল লাইনৰ উত্তৰ ফালৰ কামত ঠিকাদাৰ বিলাকে U. P. আৰু বিহাৰৰ মানুহক লৈ Master Roll কৰিছিল। অথচ আমাৰ স্থানীয় বানপানী প্ৰপীৰিত ৰাইজ সকলে কাম কৰিবলৈ সুবিধা পোৱা নাছিল। আৰু এই বিষয়ত বিভাগীয় কৰ্ম্মচাৰী সকলৰ

Quorum Bell

(সাময়িক ভাবে মাননীয় সদস্যাই নিজৰ স্থান লয়।)

বিহাৰৰ পৰা কণ্ট্ৰাক্টৰ আহে আনকি ইয়াত লগা হোৱা গৰু-গাবি বিলাকো বিহাৰৰ পৰা আনে আৰু মি বিলাক গৰু বিহাৰৰ পৰা আনে তাৰ কাৰণে আৱশ্যকীয় ভুচি বিহাৰৰ পৰা আনে, ইয়াৰ ভুচিও নুখুৱায় মহোদয়, ইয়াৰ পাচত ডাঙৰ সড়যন্ত্ৰ এই মঠাউৰি নিৰ্ম্মাণত চলি আছে। মঠাউৰি নিৰ্ম্মাণ কৰা সময়ত আমাৰ চৰকাৰৰ বিভাগীয় অফিচাৰ বিলাকে কৰবাত অলপ খুট ৰাখি থৈ যায়। মহোদয়, আপোনাৰ জনা আছে চাঁন্দ সদাগৰে যেতিয়া তেওঁৰ নুমলীয়া লৰা লক্ষিনদাৰক মেৰ ঘৰ সজাই পদমাবতীৰ কোপৰ পৰা ৰক্ষা কৰিব বিচাৰিছিল তেতিয়া পদ্মাবতীয়ে আহি কেশাই কমাৰক মিস্ত্ৰিক সাবধান কৰি দিছিল যে কৰবাত অলপ খুট ৰাখি থৈ যোৱা—নহলে তোমাৰ সৰ্ব্বনাশ হব। ঠিক একেদৰে আমাৰ বিভাগীয় অফিচাৰৰ ওপৰতো খাতে। বৰদলত পুঠিৰীনী নদীৰ মঠাউৰি সাজি গাওত মঠাউৰি বান্ধি যেতিয়া তাৰ গাওঁবুঢ়াৰ ঘৰৰ সন্মুখৰ মাটি পালেহি তেতিয়া মাটি কাটিব নিদিলে আৰু তেতিয়া মঠাউৰিত খুট ৰৈ গল ফলত আজিলৈকে তাৰ পাচখন মৌজা উপদ্ৰৱ কৰিছে আৰু তিনিটা circle যেনে ৰঙিয়া কমলপুৰ, হাজো এই তিনিওটা circle ক খটি গ্ৰস্ত কৰিছে। আটাইতকৈ ডাঙৰ কথা হৈছে তেওঁলোকে মঠাউৰি সাজোতে খুট ৰাখিব আৰু বাৰিষা সেই মঠাউৰি ভাঙিব। এতিয়া আচৰিত কথা হল সেই মথাউৰি সাজোতে যিমান টকা খৰছ হৈছিল সেইটো ভঙাৰ পাচত মেৰামতি কৰোতে বেচি টকা খৰচ হয়। গতিকে এই কথাটোত সত্যতা নিদ্ধাৰণ কৰিবৰ কাৰণে মই এটা অনুসন্ধান কমিটি কৰিবলৈ প্ৰস্তাৱ দিছো। মঠাউৰি সাজোতে যিমান টকা খৰছ হল আৰু সেই তাৰ ভঙা মেৰামত কৰোতে তাৰ এটা নিৰ্ণয় কৰা অতি আৱশ্যক হৈছে।

বৰ্ত্তমান অফিচাৰ সকলে আমাৰ চৰকাৰক শেষ কৰিব। মাননীয় বিত্তমন্ত্ৰী মহোদয় নাই। তেখেতে বাজেটত আচনিত টকা ধৰি দিয়ে আৰু এই অফিচাৰ সকলে টকা খাই শেষ কৰি পেলাই। এওঁলোক ৰাইজৰ উপকাৰৰ অৰ্থে মঠাউৰি বান্ধে কিন্তু এই মঠাউৰি খৰালি ঠিকেই থাকে কিন্তু বাৰিষা ভাঙি যায়। বিধান সভাৰ সদস্য পাচ গৰাকী এই মঠাউৰি পৰিদৰ্শন কৰিব গৈছিল। তেতিয়া মই স্পষ্টকৈ দেখুৱাই দিছো যে ৰঙীয়া circle ৰ পুথিমাৰী নৈ, যিবোৰ চুইচগেট দিছে সেইবোৰ কোনো কামত অহা নাই। মাননীয় ৰাজহমন্ত্ৰী বৰ্ত্তমান মূখ্যমন্ত্ৰীৰ মই দৃষ্টিগোচৰ কৰিছিলো যে এই চুইচগেটৰ পৰা একো উপকাৰ হোৱা নাই বৰঞ্চ অপকাৰহে হৈছে। ইয়াৰ প্ৰধান কাৰণ হৈছে মাননীয় মন্ত্ৰী মহোদয়ে জানে যে আমাৰ বৰ্ত্তমান চৰকাৰৰ ভিতৰৰ বিভাগ কেইটাৰ ভিতৰত যিটো সমন্ধ থকা উচিত সেই সকলৰ ভিতৰত তেনে কোনো সম্বন্ধ নাই। বান নিয়ন্ত্ৰন বিভাগ, কৃষি বিভাগ, দোং বিভাগ, গড়কাপ্তানী বিভাগ এই আতাইবোৰ বিভাগৰে সহযোগীতা হলেহে ৰাইজৰ উপকাৰ হব। নহলে এটা বিভাগে আনটো লগত আলোচনা নকৰিলে এটাই আনটোৰ উপকাৰ কৰিব পাৰে। পৰস্পৰৰ সহযোগ আৰু আলোচনাৰ মাজেৰেহে কামবোৰ ভাল হব পাৰে। গড়কাপ্তানি বিভাকে দলং সাজে, কিন্তু নদীৰ বুকুত যদি ৰাস্তা সাজি পানী যোৱা ঠাই ঠেক কৰি পেলায় তেতিয়াহলে বানপানী আহিলে হয় দলং ভাঙিব নহয় মঠাউৰি ভাঙিব। ৰঙিয়া সমষ্টিৰ পুঠিমাৰী নৈৰ ৰঙিয়া গৰেশ্বৰ ৰাস্তাৰ ৰাটত বহা ঘাটৰ দলংখন ১৯৬৬ চনত এইধৰণে ভাঙিছিল. উটি গ'ল সেয়ে ৰঙিয়া গৰেশ্বৰৰ ৰাস্তা হৈছে আজিও কাম হোৱা নাই। উপাধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগে আকৌ E.&D. বিভাগকক কয় আকৌ E.&D. এ গড়কাপ্তানী বিভাগক। মোৰ কথা হল দুয়ো পক্ষৰ ভিতৰত পৰিষ্কাৰ বুজা পৰা থাকিব লাগে।

উপাধ্যক্ষ মহোদয় embankment ৰ কথা কওঁ—বহুত সইচ বহুত মানুহৰ ঘৰবাৰী ভাঙি অঘৰী হৈ পৰিছে। আৰু যিবিলাকৰ খেতিৰ মাটি ৰাস্তাৰ মাটি ক্ষতিপূৰণ দিম বুলি মঠাউৰিৰ ভিতৰত সুমুৱাই লয়, সেইবিলাককো ক্ষতি-পূৰণ দিয়া হোৱা নাই। গতিকে ইয়াৰ পাচত আকৌ সেইবোৰ মানুহক মাটি এৰি দিবলৈ কলে, নিদিয়ে ফলত মঠাউৰি অসম্পূৰ্ণ হৈ থাকে। তাৰ পাচত, কিছু-

মান মানুহক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিছে। কিন্তু যিবিলাকে পাব লাগে পোৱা নাই আৰু নাপাবলগীয়াই পাইছে। আজি 4 বছৰেই মই যুজি যুজি ক্ষতি-পূৰণ দিয়াৰ কাৰণে মাননীয় ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি গাওঁত শতকৰা ৫০ ভাগ দিয়াৰ ব্যৱস্থা কৰিছিলো কিন্তু এতিয়াও টকা পোৱা নাই। এজন গাওঁৰ বুঢ়া মানুহে ১৪ বছৰ আগতে এক বিঘা মাটি এৰি দিছিল কিন্তু মানুহজন মৰি গ'ল টকাখিনিটো নেপালেই এতিয়া পুতেকৰ নামতো দিয়াৰ কোনো ব্যৱস্থা কৰা নাই। অৰ্থাৎ নামেই সলনি কৰা নাই। গতিকে এই বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো যে পুঠিমাৰী নদীৰ মঠাউৰিৰ অধি-গ্ৰহণ কৰা মাটিৰ সম্পূৰ্ণ ক্ষতিপূৰণৰ টকা অতি সোনকালে দিব লাগে। বাপেক মৰিযোৱা পৰিয়ালৰ টকা তেওঁৰ লৰাছোৱালী বা ঘৈণীয়েকৰ নামত দিব লাগে। পুতেকৰ নামত টকাটো দিব লাগে কিন্তু বাপেকৰ নামত মাটি নামজাৰি আছে। নামজাৰি যিহেতু correction হোৱা নাই তাৰ বাবে ইয়ালৈ মানুহ আহি আছে কিন্তু correction হোৱা নাই। কিন্তু পুতেকৰ নামত টকাখিনি দিয়া নাই। বাৰংবাৰী হানংবাৰী আদিৰ কিছুমান ট্ৰাইবেল মানুহৰ ওপৰত জুলুম চলোৱা হয়। চৰকাৰৰ পৰা যদি গৰীৱ কৃষকক সহায় দিয়া নহয় তেতিয়া হলে Embankment নহব। আৰু যদি সাধাৰণ নীতি হোৱাটো প্ৰয়োজন কিন্তু আমি সাধাৰণ নীতিৰ অভাৱ দেখিছো। ব্ৰহ্মপুত্ৰ কমিশ্যন হ'ল কিন্তু কোনো সুস্থ নীতি নহলে প্ৰকৃত কাম নহব। নৈ খনক ওপৰৰ পৰা তললৈ Embankment হব লাগে। আৰু এটা কথা কব বিচাৰিছো যে সেইটো হৈছে শ্ৰমিক বাহিনীৰ শ্ৰমিক বাহিনিৰ নাম বিহাৰৰ পৰা আহে। শ্ৰমিক সকলে কাম কৰি আছে আমাৰ গৰীৱ আৰু সাধাৰণ মানুহে শ্ৰমিক বাহিনীৰ জৰীয়তে কাম আৰু আমাৰ Engi-neer আৰু officer সকলে পইচা লৈ কিছমানক কাম দিছে। ডাঙৰ ঠিকাদাৰকহে কাম দিয়া হয়। গৰীৱ শ্ৰমিকে বা সৰু সৰু ঠিকাদাৰে কাম নাপায়। গানীবেগৰ এটা ভাল ব্যৱস্থা হব লাগে। আগৰ গানীবেগৰ ব্যৱস্থা কৰি তাৰ proper stock কৰিব লাগে। আৰু এটা কথা জানিব পাৰিছো শিৱসাগৰত যি জন Engineer আছে তেওঁ হেনো শতকৰা ৬০ ভাগ নাপালে ঠিকাদাৰক কাম নিদিয়ে কাছাৰত হেনো এই officer জনক Suspend কৰি ৰখা হৈছিল কিন্তু তেওঁকেই শিৱসাগৰত কাম কৰিবলৈ দিয়া হৈছিল এই মানুহজনৰ প্ৰতি এটা Enquiry হব লাগে তেওঁলোকৰ সম্পত্তিৰ Enquiry হব লাগে।

( এটি স্বৰ : তেওঁৰ নাম কি ? )

এওৰ নামটো মই নাজানো, কিন্তু তেওঁ শিৱসাগৰত যথেষ্ট দুৰ্নীতি কৰিছে। তেওঁ আগতে কাছাৰতো দুৰ্নীতি কৰিছিল ডাঙৰ ঠিকাদাৰক কাম দিয়ে সৰু সুৰাক নিদিয়ে, পইচা পালে দিয়ে।

অধ্যক্ষ মহোদয় এইবিলাক দুৰ্নীতি যদি দূৰকৰা নহয় ৰাইজৰ অসুবিধা কেতিয়াও দূৰ নহয়। বছৰি বছৰি মঠাউৰী ভগাৰ কেৱল এই দূৰ্নীতি গতিকে জনসাধাৰণক বানপানীত ধ্বংস হবলৈ দিব নেকি ? officer সকলে নানা ষড়যন্ত্ৰ কৰি মঠাউৰীবোৰ ভাগি থাকিব নেকি ? তেওঁলোকৰ এই ক্ষতি কৰাৰ বাবে তেওঁলোকৰ ঘৰবাৰী ক্ৰোক কৰি ৰাইজৰ ক্ষতিপূৰণ দিব লাগিব তেতিয়াহে দেখিব মঠাউৰী আৰু নাভাগে। এইখিনি কথাকে কৈ মই Estimate Report ৰ বিষয়ে মোৰ বক্তব্য ডাঙি ধৰিলো।

*M. Shamsul Huda :

माननीय অধ্যক্ষ মহোদয়, Estimate committee ৰ Report আজি সদনত পেশ কৰা হৈছে সেই বিষয়ে আলোচনা কৰিবলৈ ধৰিছো। Estimate Committee ৰ Report ত বান নিয়ন্ত্ৰণৰ কথা আছে। এই বিভাগটো ৰাইজৰ :ৰ মৰমৰ। আমাৰ বান নিয়ন্ত্ৰণৰ মন্ত্ৰী এতিয়া আমাৰ মুখ্যমন্ত্ৰী হৈছে তেখেতৰো এই বিভাগটো অতি মৰমৰ সেইকাৰণে তেখেতে সকলো ভগাই দি নিজেই এই বিভাগটো ৰাখিছে। সেইকাৰণে এই বিভাগৰ কাৰ্য্যকলাপৰ বিষয়ে তেখেতৰ তথা সদনৰ দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছো।

পানী ভেটাদি ৰাখিব নোৱাৰি, যদি পৰা গ'ল হয় তেনেহলে যৰপৰা ব্ৰহ্মপুত্ৰ নদী নামি আহিছে তাৰ মুখতে ভেটাদি বান নিয়ন্ত্ৰণ কৰিব পাৰিলেহেঁতেন কিন্তু সেইটো কেতিয়াও সম্ভৱপৰ নহয় গতিকে যিটো সম্ভৱপৰ নহয় কংগ্ৰেছ চৰকাৰে সেইটোকে কৰিবলৈ বিচাৰিছে। কোনো ঠাইত আমি পানী অপসৰণ কৰিব লাগিব কোনো ঠাইত নদী Divert কৰিব লাগিব আৰু কোনো ঠাইত মঠাউৰী বান্ধিব লাগিব। আমাৰ নদীবিলাক সফলে থকা নাই গছ-গছনি পলস আদি পৰি নদীবিলাক বাম হৈ আহিছে। আৰু এই নদীবোৰ বাম হৈ অহাৰ কাৰণেই নদীবোৰৰ পানীবোৰ বৈ আহি বানপানীৰ তান্দৱ লীলাৰ সৃষ্টি কৰিছে। ঠায়ে ঠায়ে মঠাউৰী চিগি মানুহৰ খেতিবাতি নষ্ট কৰি পেলাইছে। সেইকাৰণে

যত যত মঠাউৰী ছিগে তাৰ বিশেষ বাৱস্থা অতি সোনকালে লব লাগে কিন্তু officer বিলাকে বা চৰকাৰে সময়মতে তাকে লক্ষ নকৰে। কোনো কোনো মঠাউৰীত যত Sluice gate ৰ ব্যৱস্থা থাকিব লাগে তাত Sluice gate আদি নিদি খৰচ বঢ়াই টকাটো আনফালে নৈ যোৱা হয়।

মাননীয় চেয়াৰমেন মহোদয়, আৰু এটা কথা মই কওঁ যে এই চৰকাৰে যোৱা কেইবছৰে যিবিলাক মঠাউৰী বান্ধিছে তাত দেখা যায় Sluice gate ৰখাৰ কোনো ব্যৱস্থা কৰা নাই। বিভাগীয় ইঞ্জিনীয়াৰ সকলে Sluice gate ৰ কাৰণে কাঠ, লোহা Cement আদিৰ প্ৰয়োজন হয় বাবে Sluice gate কৰা নাই। ইয়াৰ ফলত শতকৰা ৮০ ভাগ টকাৰ অপচয় হৈছে। অপচয় বুলি নকৈ misappropriation বা আত্মসাৎ বুলি কব লাগিব। এই চৰকাৰে খৰালিৰ কেইমাহত মঠাউৰী বন্ধাৰ কোনো আগ্ৰহ নেদেখুৱায় অথচ যেতিয়া বাৰিষা আহে তেতিয়াহে মঠাউৰী বান্ধিবলৈ অগ্ৰসৰ হয়। মঠাউৰ প্ৰতিৰক্ষা কৰিবলৈও এই চৰকাৰে কোনো ব্যৱস্থা নকৰে। এন্দুৰে গাত কৰি যোৱা মঠাউৰীবিলাক যদি বাৰিষাৰ আগতে মেৰামতি কৰিলেহেতেন তেনেহলে মঠাউৰীবোৰ ছিঙাৰপৰা ৰক্ষা পৰিলহেতেন। মেৰামতি কৰাৰ কাৰণে ২।৩ হাজাৰ টকা খৰচ কৰিব নোৱাৰে অথচ ভঙা মঠাউৰী বান্ধিবলৈ লাখে লাখে টকা খৰচ কৰিব পাৰে। এন্দুৰৰ গাতবিলাক খৰালিৰ ৯ মাহে মেৰামতি কৰিব নোৱাৰে, অথচ বাৰিষা চিঙা মঠাউৰীত লাখে লাখে টকা খৰচ কৰিব পাৰে। আমাৰ কান্দুলীমাৰিৰ শিলঘাটৰ মঠাউৰীৰ Retirment ত দুটা Ring বান্ধ মেৰামতি নকৰিলে এই বছৰৰো বাৰিষা গোটেই চিং টাউনখন পানীয়ে বুৰাই পেলাব। এই ৰিং বান্ধ দুটা মেৰামতি কৰাৰ বাবে বহুবাৰ আবেদন কৰা হৈছে। যোৱা বছৰ তাৰ ৰাইজে দুইফুট বান্ধ বান্ধি এই পানীৰ পৰা ৰক্ষা পৰিছে। এইথিনিতে এটা Channel form কৰিছে ব্ৰহ্মপুত্ৰৰ পৰা কোৱাল সোঁতেৰে পানী আহে। কিন্তু এতিয়াও চৰকাৰৰ সুবুদ্ধিৰ উদয় হোৱা নাই। মই মুখ্যমন্ত্ৰী মহোদয়ক Representation দিছো, Chief Engineer কো দিছো, ৰাজহমন্ত্ৰীকো দিছো কিন্তু কোনো কাম হোৱা নাই।

যোৱাবছৰ ৰামসিং ঠিকাদাৰে ভুৰাগাওঁ - কলাখোৱা অঞ্চলত ১০৪ টকা Rate ত মঠাউৰীৰ কাম কৰে কিন্তু শ্ৰমিকক ৪৫ টকাহে মাত্ৰ দিয়ে। মই

হস্তক্ষেপ কৰাত জোৰ্ জবৰদস্তিকৈ ৭০ টকাৰ বন্দবস্ত কৰি দিছিলো। আজি পৰ্য্যন্ত সেই মানুহবিলাকে টকা পালে নে নাই কব নোৱাৰো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ওচৰত দৰ্খাস্ত দিছিলো, Chief Engineer ৰ ওচৰতো দৰ্খাস্ত দিছো, আনকি বিত্তমন্ত্ৰী ডাঙৰীয়াৰ ওচৰতো সেই বিষয়ে দৰ্খাস্ত দিছো। এজন শ্ৰমিকে ৰাষ্ট্ৰপতি গিৰিৰ চিঠি এখন মোক দেখুৱাইছিল আৰু শ্ৰমিকসকলে মোক কৈছে যে তেওঁলোকে ৰাষ্ট্ৰপতিলৈ লিখিব। ৰাষ্ট্ৰপতিৰ লগত এই শ্ৰমিকজনৰ কিবা Personal বন্ধুত্ব আছে বোলে।

আৰু বহুত ক্ষেত্ৰত দেখা গৈছে যে সৰু সুৰা ঠিকাদাৰ বিলাকে কাম কৰে অথচ তেওঁলোকক Payment দিয়া নহয়। তেওঁলোকে labour টো দুৰৰ কথা কিছুমান শ্ৰমিক বাহিনীকো Payment দিবপৰা নাই কিন্তু ডাঙৰ ঠিকাদাৰ সকলে Paymant তো পায় অথচ বহুতলোকে নিজৰ টকাৰেও Labour ক Payment দিব পাৰে। কিন্তু এই সৰু ঠিকাদাৰবোৰে Labour ক Payment দিব নোৱাৰা বাবে হাতে বজাৰে তেওঁলোকক মাৰিবলৈ লাঠি লৈ ৰৈ থাকে। কাবেলিৰ পৰা ধাৰ লৈ তেওঁলোকে Labour ক Payment দিবলগীয়া হৈছে।

বৰ্ত্তমান নগাওঁত এজন Engineer আছে তেওঁ কোনোবা মন্ত্ৰীৰ বোলে সম্বন্ধীয়া। তেওঁক দক্ষিনা নিদিলে বোলে কামেই নহয়। তেওবোলে cheque বহীখনো ঘৰলৈ লৈ যায়। তেওঁক ঘৰত লগ ধৰিহে cheque আনিব লাগে।

মোৰ সমষ্টিত বৰদোৱাত Flood control ৰ কাৰণে আকাশী গঙ্গা কাম শেষ হৈ গ'ল কিন্তু শ্ৰমিক বাহিনী পৰ্য্যন্ত কোনেও টকা পোৱা নাই।

চেয়াৰমেন মহোদয় আৰু এক অদ্ভুত প্ৰকাৰে এই বিভাগে টকা সংগ্ৰহ কৰে। কাঠৰ গাঠি কিছুমান যোগাৰ কৰি তাৰে ধুৰমুচ তৈয়াৰ কৰে আৰু তাৰে মথাউৰিৰ কাম কৰে। আকৌ কেচাঁ মাটিত হাতীৰে গচকোৱা প্ৰথাও দেখা যায়। ক'ৰবাত মানুহৰ গচক ক'ৰবাত গড়ৰ গচক আকৌ কোনো কোনো ঠাইত হাতীৰ গচক লগোৱা এই বিলাক কেনে প্ৰথা নাজানো। Roller Maclive ৰ ব্যৱহাৰ কথা দেখা নাই। মথাউৰি ভাঙিলে সেই ভঙা মঠাউৰি মেৰামতি কৰিবলৈ বালিৰ বস্তা পেলায়। P. W. D বিভাগত লাখে লাখে Cement ৰ বস্তা থকা স্বত্বেও সেই বিলাক সংগ্ৰহ নকৰে কিন্তু

বানপানী আহিলে খোলা বজাৰৰপৰা বস্তা কিনে। আকৌ বস্তা দিয়া লোক সকলে ১½ টকাকৈ বস্তা যোগাৰ কৰে আৰু Supply দিয়ে এটকাকৈ। তেনেকৈয়ে ১০ হাজাৰ বস্তা Supply দি এক লাখ টকাৰ বিল কৰে।

জলসিঞ্চনৰ নামত ইমান টকা খৰচ কৰিছে কিন্তু কোনো কামত অহা নাই। যমুনা Irrigation Project কৰিছে কিন্তু সেই project ৰ দ্বাৰা বাৰিষা ছাটি ফুটা বৰষুণ পৰা সময়ত ভাদ মাহতহে খেতিত পানী যোগান ধৰিব পাৰে। কিন্তু খৰালি পথাৰ শুকাই যেৱা সময়ত পানী যোগাব নোৱাৰে।

(সময়ৰ সংকেত)

**Mr. Speaker :**

আপুনি ২৫ মিনিট কলে আৰু কিমান কব ?

**M. Shamsul Huda :**

মাত্ৰ সাত মিনিট কম। প্ৰকৃততে Compensation পাব লগীয়া মানুহে Compensation নাপায়। আকৌ নাপাবলগীয়া মানুহে লাখে লাখে টকা ঘটে। আকৌ যাৰ মাটি মথাউৰিত যোৱা নাই সেই লোকেহে Compensation পায় কিন্তু সেই বিলাকে যি ভুল মেপ দাঙি ধৰে সেই মেপকো বিভাগে অস্বিকাৰ কৰিব নোৱাৰি তেওঁবিলাকক Compensation ৰ টকা দি দিছে। মণ্ডল কাননগু, আনকি D. C., S.D.C অফিচতো মেপ নাই। মই D. C ক কৈছিলো settlement অফিচৰ পৰা প্ৰকৃত মেপ আনিবলৈ কিন্তু তাকো কৰা হোৱা নাই। মেপৰ আকৃতি সলনি কৰি ঘূৰণীয়া কণী এটাৰ নিচিনাহে কৰিছেগৈ মেপৰ আকৃতি। পেচাৰাম নামৰ এজনৰ ১৯ বিঘা মাটিৰ ১৫ বিঘাই মথাউৰিত গৈছে কিন্তু তেওঁৰ Compensation পোৱা সকলৰ ভিতৰত নাম নাই। D. C. আৰু Settlement অফিচতো নাই। এই মাটিৰ ক্ষতি-পূৰণ ৩মাহ ধৰি পোৱা নাই। আকৌ বহত ঠাইত মৰা মানুহৰ নাম থকা দেখা যায়। বৰ্ত্তমান মুখ্যমন্ত্ৰী ডাঙৰীয়া চিংলৈ যাওঁতে Political Sufferer সকলে Representation দিছে যে মাটিৰ কাৰণে তেওঁলোকে পইচা পোৱা নাই। তেওঁলোকৰ মাটি হেনো দীঘলে দীঘলে আছে আৰু মথাউৰি টোও দীঘলে দীঘলে যোৱা কাৰণে তেওঁলোকে ক্ষতিপূৰণ পাব লাগে বুলি কৈছে।

এনেকুৱাই হৈছে ক্ষতিপূৰণৰ নীতি। এই চৰকাৰ নীতি মতে তেওঁলোকেও ক্ষতি-পূৰণ পাব যেনেহে লাগে। মৰা মানুহৰ নামত যদি Compensation ৰ টকা বিলি হব পাৰে তেনেহলে এই ক্ষেত্ৰতো নিশ্চয় হব। Land Acquisition বিভাগে ষড়যন্ত্ৰ কৰি ছমাহলৈকে জেলত ৰাখে আৰু এই ছমাহৰ ভিতৰতে ক্ষতিপূৰণৰ টকা বিলি কৰে আনৰ নামত। এই ছমাহে জামিনতো নিদিয়ে জেলত ৰাখি থৈ দিয়ে। ৰৌবাৰী নামৰ মানুহজনক ছমাহে Land Acquisition অদিতৰ লগত ষড়যন্ত্ৰ কৰি জেলত সোমাই থৈছে। গতিকে এই বিভাগ-টোৰ কামবিলাক ভালদৰে অনুসন্ধান কৰি যাতে প্ৰকৃত মানুহে ক্ষতিপূৰণ পায় তাৰ দিহা কৰিবলৈ চৰকাৰক দাবী জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Jalaluddin Ahmed :

অধ্যক্ষ মহোদয় মই Estimate committee report টো তন্ন তন্নকৈ পঢ়িলো। পঢ়ি চাই দেখিলো যে ১৯৬৭ চনৰ পৰা ১৯৭০ চনৰ ভিতৰত বান-নিয়ন্ত্ৰণ বিভাগত দুৰ্নীতি যিমান সোমাইছে ইয়াৰ আগতে তেনেকৈ সোমোৱা নাছিল। এই বান-নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আজি আমাৰ অসম চৰকাৰে কোটি কোটি টকা খৰচ কৰিছে। এই কোটি কোটি টকাৰ ভিতৰত শতকৰা ২৫% টকাৰ বাহিৰে বাকী সকলো-বিলাক টকাই অপচয় হৈছে। ইয়াৰ ভিতৰত বৰপেটা Sub-division ত বাঘ-বৰত ব্ৰহ্মপুত্ৰৰ dyke ত হোৱা অপচয়ৰ কথাকে অঙুলিয়াই দিব খুজিছো। তাত ব্ৰহ্মপুত্ৰৰ যিটো dyke মোৰ সমষ্টিৰ মাজেদি গৈছে তাত দেখিছো যে এজন ঠিকাদাৰে ৩০ হেজাৰ টকা, আন এজন ঠিকাদাৰে ৪০ হেজাৰ টকাৰ কাম পাইছে যদিও প্ৰকৃততে তাত ৫ হেজাৰ টকাৰো কাম হোৱা নাই। এই বিষয়ে Executive Engineer জনক কলো যে ৩০ হেজাৰৰ টকাৰ কাম কৰিছে যদিও প্ৰকৃততে ৫ হেজাৰ টকাহে কাম হৈছে। গতিকে ইয়াৰ এটা step লব লাগে। কিন্তু তেও অলপো step নললে। সেই Executive Engineer জন শ্ৰীহৰেণ ডেকা ইমান দুৰ্নীতিপৰায়ণ যে সেই সম্পৰ্কে এই সদনত বহুবাৰ কোৱা হৈছে। বৰ্তমানৰ মূখ্যমন্ত্ৰী E.&.D. বিভাগৰ মন্ত্ৰী থকা অৱস্থাত তেখেতক কোৱা সত্বেও কোনো Step নললে। এই লোকজন আগতে আছিল পানী মহৰী। পানীৰ তলত ৫ ফুট Depth থাকিলে ৭ ফুট Depth জোখ দি থয়। তাৰপিছত সেই মানুহজনেই Promotion পাই S.D.O. হ'ল। তাৰ পিছত Executive Engineer হ'ল। Executive Engineer হৈ গুৱাহাটীত তেওঁ প্ৰায় ৫ লাখ টকাৰ সম্পত্তি কৰিছে।

এই বিষয়ে এটা তদন্ত কৰিবলগীয়া বিষয়। মোৰ সমষ্টিৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ যিটো dyke হৈছে তাত land compensation ৰ কাৰণে ১৯৬৬ চনতে দৰ্খাস্ত দিয়া স্বত্বেও তাক আজিলৈকে কাৰ্য্যকৰী নকৰিলে। Land acquisition কৰাৰ সময়ত মাটিৰ মূল্য আছিল বিঘাই প্ৰতি ৩০০ টকা। এতিয়া বিঘাই প্ৰতি ১ হেজাৰ ৫০০ টকা হ'ল। কিন্তু মাত্ৰ ৩০০ টকাতে দিব বুলি স্থিৰ কৰিছে আৰু এই dyke টো নিৰ্মাণ হৈছিল ১৯৫৩ চনতে আজি ১৭ বছৰ হ'ল। বিঘাই প্ৰতি ১০০ টকাকে হলেও ১৭ বছৰত ১৭০০ টকা হয়। কিন্তু তাৰপৰা পাই আছে ৩০০ শ টকা। এই সম্পৰ্কে বহুবাৰ উল্লেখ কৰা হৈছে। অনতিপলমে Land compensation দিব লাগে। মোৰ সমষ্টিত ব্ৰহ্মপুত্ৰ গড়াখহনীয়াত মঠাউৰীটো ভাঙি গল। তাৰকাৰণে নতুন মঠাউৰী নিৰ্ম্মাণে কৰিবলৈ যি alinement কৰিছে তাৰ সম্পৰ্কত কও যে যিফালে মঠাউৰী নিব লাগে সেইফালে নিনি অন্যফালে নিবলৈ বিছাৰিছে যাতে Public ৰ আৰু বহুতো ক্ষতি হয়। আমাৰ যিসকল ভাল অফিচাৰ আছে তেওঁলোকে সেইটো ভাল ঠাইলৈ নিবৰ কাৰণেও চেষ্টা নকৰা নহয়।

আৰু যিটো অপচয়ৰ কথা আমাৰ Huda ডাঙৰীয়াই কৈছে যে প্ৰত্যেক বস্তাত ডেৰ টকাকৈ বিক্ৰি কৰি ১০০ টা বস্তাত ১০০৲ টকা লাভ কৰিছে। এইটো এটা সাধাৰণ কথা। আমি জনাত যেতিয়া বাৰিষাত মঠাউৰী ভাঙে তেতিয়া বস্তা Supply নকৰি হাজাৰ হাজাৰ টকাৰ Bill দিয়ে। এনেকৈ নলবাৰীত ৮০ হেজাৰ টকাৰ Bill দিছিল এনে ক্ষেত্ৰত যিবিলাক ঠিকাদাৰ বা contactor আছে তেওঁলোক একেবাতিৰ ভিতৰতে ধনী হব পৰাহে চিন্তাত থাকে।

এতিয়া বৰপেটাত যিজন ইঞ্জিনিয়াৰ আছে তেওঁ বদলি হল নে নাই কব নোৱাৰো, কিন্তু তেওঁ বহুতো সম্পত্তি গোটালে। গতিকে এই বিষয়ে এটা তদন্ত হব লাগে। কাৰণ তেওঁ লাখ লাখ টকা অপচয় কৰি গুৱাহাটী চহৰত Building নিৰ্ম্মাণ কৰিছে।

তাৰপাছত আমাৰ বৰপেটা মহকুমাত ভেলেকী নদীৰ দুয়োপাৰে মঠাউৰী দিব লাগে। কাৰণ দক্ষিণপাৰে এই মঠাউৰী নিদিয়াৰ বাবে মোৰ সমষ্টিত এনেকুৱা ক্ষতি হৈছে যে এইদৰেও যোৱা ২৩ বছৰে হোৱা নাই। তাৰ কাৰণে লাখ লাখ টকা ক্ষতি হ'ল আৰু আমাৰ ৰাইজৰ দুখ কুলায়ে পাচিয়ে নধৰা হ'ল।

গতিকে মই এই বিষয়ে চৰকাৰক অনুৰোধ কৰিলো যাতে এই মঠাউৰীটো বাঘবৰ পাহাৰৰ পশ্চিম পিনেদি জাহানা নদী পৰ্য্যন্ত নিব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰনি মাৰিলো।

*Shri Nakul Chandra Das :

Estimate committee 24th report ত অসমৰ বানপানী সমস্যাৰ সংক্ৰান্তত আলোচনা কৰাৰ কাৰণে এই Committee ক মই ধন্যবাদ জনাইছো।

অসমত প্ৰত্যেক বছৰে এটা ডাঙৰ সমস্যা আহেই সি হৈছে বানপানীৰ সমস্যা। এই সমস্যাই এনে ভয়াবহ ৰূপ ধাৰণ কৰে যে তাৰ ফলত প্ৰত্যেক বছৰি হাজাৰ হাজাৰ পৰিয়াল গৃহহীন হৈ পৰে। বানবিধস্ত হৈ কোলাই পাচিয়ে নধৰা দুখত পৰে। হাজাৰ হাজাৰ টকাৰ ক্ষতিসাধন হয়। এই সমস্যা সমাধান কৰিবলৈ আমাৰ চৰকাৰে প্ৰচেষ্টা লৈছে যদিও ইয়াৰ কাৰণে যিসকলৰ হাতত দায়ীত্বভাৰ দিছে তেওঁলোকৰ শিথিলতাৰ কাৰণেই ই কৃতকাৰ্য্য হব পৰা নাই। গতিকে ৰাইজৰ প্ৰতিনীধি হিচাবে আমাৰ মাননীয় সদস্যসকলে এই সমস্যা কাৰ্য্যকৰী কৰিবলৈ চকু দিব লাগে। কাৰণ ৰাইজৰ প্ৰতিনিধি হিচাবে ই আমাৰ পবিত্ৰ কৰ্ত্তব্য। এই ক্ষেত্ৰত সমালোচনা কৰিলেও তাৰ মাত্ৰাৰক্ষা কৰিব লাগিব। আনহাতে যিসকল বিষয়াই নিজ কৰ্ত্তব্যৰ প্ৰতি লক্ষ বিহিত অনুৰাগ নেদেখুৱাই যাৰ ফলত জন অগনন ৰাইজৰ দুখ দুৰ্গতিৰ সীমা নাইকীয়া হয়—সেইসকল বিষয়াৰ প্ৰতি চৰকাৰে বিশেষ তৎপৰতা দেখুৱাব লাগিব।

স্বীকাৰ কৰিব লাগিব বাননিয়ন্ত্ৰণৰ কাৰণে অসমত সিবিলাক ব্যৱস্থা লোৱা হৈছিল সেই সকলোবিলাক ব্যৱস্থা বিশেষ বাস্তৱ কাম হোৱা নাছিল। কাৰণ জনপ্ৰিয়তাৰ খাতিৰতেই হওঁক বা ৰাইজক জানিবৰ কাৰণেই হওঁক নদীৰ পাৰে পাৰে মঠাউৰী বন্ধা হৈছিল। কিন্তু alinement ৰ কথাটো তেতিয়া চিন্তা কৰা নাছিল। আজি কেইবছৰমানৰ আগতে আমাৰ সদনৰ কেইজনমান সদস্যৰে শ্ৰীবিজয় ভাগৱতীৰ নেতৃত্বত এটা কমিটি তৈয়াৰ কৰি দিছিল। সেই কমিটিয়ে যথেষ্ট পৰামৰ্শও আগবঢ়াইছিল যদিও সেইমতে চৰকাৰে কিমানখিনি কামত লগাব পাৰিছে, কিদৰে কাম কৰিছে তাক আমি কাৰ্য্যক্ষেত্ৰত দেখিবলৈ পোৱা নাই।

*Speech not correct

আজি প্ৰত্যেক বছৰে ব্ৰহ্মপুত্ৰনদীৰ বিৰাট সংখ্যক উপনদীয়ে গোটেই অসমতে বিৰাট বিভিষিকাৰ সৃষ্টি কৰে। এই নদীসমূহ নিয়ন্ত্ৰণৰ কাৰণে চৰকাৰে লোৱা ব্যৱস্থা সমূহ সমিচীন হোৱা নাই। এই সমস্যাটো সমাধান কৰাৰ পৰিপ্ৰেক্ষিতত মঠাউৰী তৈয়াৰ কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰেও মন দিব লাগিছিল। ইয়াৰ গুৰিতে থকা আৰ্থিক সীমাবদ্ধতা আমি স্বীকাৰ কৰো। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে যি পৰিমানৰ টকা দিব লাগিছিল সেই পৰিমানৰ পুজি দিয়া নাই। আৰু এই সমস্যাটোক কেন্দ্ৰীয় চৰকাৰে জাতীয় সমস্যা বুলি গণ্য কৰা নাই। আমি আশা কৰো অসমৰ এই বানপানী সমস্যাটো সমাধানৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে অধিক মনোযোগ দিব আৰু অৰ্থ সাহাৰ্য্য আগবঢ়াব।

সৌ সিদিনা মাত্ৰ ব্ৰহ্মপুত্ৰ কমিস্যন গঠন হোৱাৰ লগে লগে আমি ভুয়শি প্ৰসংশা কৰিছো আৰু আশা ৰাখিছো এই Commission এ অসমৰ বানপানীৰ সমস্যা সমাধান কৰিব। কিন্তু কমিস্যন গঠিত হোৱাৰ দিনাৰেপৰা দেখা পাইছো যে কেন্দ্ৰীয় চৰকাৰে এই কামত বিশেষ আগবাঢ়িব পৰা নাই। গতিকে বহুসময়ত ই নিৰাশাৰো সৃষ্টি কৰিছে। আশা কৰো কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰ কমিশ্যনৰ কাৰণে যি অৰ্থৰ প্ৰয়োজন সেই অৰ্থৰ যোগান ধৰিব আৰু অসমৰ নদীবিলাক বিশেষকৈ ব্ৰহ্মপুত্ৰ নদীৰ নিয়ন্ত্ৰণৰ কাৰ্য্যত অগ্ৰসৰ হব।

এতিয়া মই দুটামান কথা কব খুজিছো যে ব্ৰহ্মপুত্ৰ কমিশ্যন হোৱাৰ লগে লগে বান পানী নিয়ন্ত্ৰণ আৰু জলসিঞ্চনৰ ক্ষেত্ৰত কিছুমান নতুন কমিশ্যন উদ্ভৱ হৈছে। আমি শুনিছো যে Irrigation শাখাটো ৰাজ্যিক চৰকাৰক দি বান নিয়ন্ত্ৰণ বিষয়টো কেন্দ্ৰীয় চৰকাৰে নিব। সেইটো হলে বহুত অসুবিধা হব। উদাহৰণ স্বৰূপে মই মোৰ মহকুমা মঙ্গলদৈৰ কথা উল্লেখ কৰিব খুজিছো যে এই মহকুমাত বহুত বিলাক মঠাউৰী আছে আৰু সেইবিলাকৰ সৰহভাগেই অসম্পূৰ্ণ আৰু সম্পূৰ্ণ কৰিবলৈ চৰকাৰৰ টকা নাই। প্ৰত্যেক বছৰে এই মঠাউৰী বিলাক হয় ভাঙি নহয় অসম্পূৰ্ণৰ পথেদি পানী সোমাই ৰাইজক পইমাল ঘটাব লাগিছে। আকৌ আমি শুনিবলৈ পাইছো মঙ্গলদৈৰ পৰা flood control wing টো উঠাই নিব। সেইটো হলে বানপানীৰ সময়ত গুৱাহাটীলৈ দৌৰিব লাগিব। গতিকে তাৰ পৰা ৰাইজৰ ক্ষতি হব। সেইকাৰণে এই flood control বিভাগটো মঙ্গলদৈত ৰাখক। মঙ্গলদৈয়ৰ পৰা কোৰুৱালৈ ১৭ মাইল দীঘল যিটো মঠাউৰী

সেই মঠাউৰীটো ভঙাৰ সময়ত মই, সৈন্যবাহিনী আৰু ৰাইজৰ অক্লান্ত পৰিশ্ৰমৰ যোগেদি ৰক্ষা কৰিবলগীয়াত পৰিছিলো। গতিকে flood control বিভাগটো যদি মঙ্গলদৈৰ পৰা গুৱাহাটীলৈ আনিব লগা হল তেতিয়াহলে মঙ্গলদৈৰ ৰাইজৰ বহুত সুবিধা হ'ব। গতিকে প্ৰতি বছৰে বছৰে বানপানীৰ প্লাবিত এই মঙ্গলদৈ মহকুমাটোৰ প্ৰপ্ৰীৰিত ৰাইজৰ কল্যাণৰ কাৰণে flood control বিভাগটো মঙ্গলদৈতে ৰাখিবলৈ চৰকাৰক অনুৰোধ জনালো।

তাৰপাচত মই এই কথা কলে অপ্ৰাসঙ্গিক নহব যে এই প্ৰলয়ঙ্কৰী বানপানীৰ বিভিষিকাৰ মূলতেই হল অসম্পূৰ্ণ মঠাউৰীবিলাক। এইটো পৰিলক্ষিত হৈছে যে এই মঠাউৰীবিলাক কৰোতে বৈজ্ঞানিক পদ্ধতিৰে বিজ্ঞান সন্মত ভাবে নিৰ্ম্মাণ কৰা নাই। সৰহভাগ মঠাউৰী দেখা যায় যে মঠাউৰীবিলাকৰ আগৰ ফালেও নাই পাচৰ ফালেও নাই মাজতে এটুকুৰা মঠাউৰী। আকৌ কিছুমান ক্ষেত্ৰত আগৰ-ফালেও মঠাউৰী পাচৰফালেও মঠাউৰী কিন্তু মাজতে নাই। এনেবিলাক অসম্পূৰ্ণতাৰ কাৰণে ৰাইজৰ প্ৰতিবছৰে বানপানীৰ গৰাহত পৰে আৰু তেওঁলোকৰ অৱস্থা শোচনীয় হয়। গতিকে মই চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰিব খোজো যেন ভবিষ্যতে নতুন প্ৰজেক্ট লোৱাৰ আগতে পুৰণা অসম্পূৰ্ণ বিলাক সম্পূৰ্ণ কৰিহে বৈজ্ঞানীক পদ্ধতিৰ নতুন কাম আৰম্ভ কৰিব। মই কথা বুজি নাপাও যে মঙ্গলদৈৰ ৰঙামাটিৰ পৰা কুৰুৱালৈ এই ১৭ মাইল মঠাউৰীটো মাজতে ২ মাইল কিয় মঠাউৰী নাই। এই খোলা ঠাই খিনিয়েদি প্ৰত্যেক বাৰেই পানী সোমাই ৰাইজক বিস্তৰ ক্ষতিসাধন কৰিছে আৰু তাৰ ফলত ৰাইজৰ আৰ্থিক অৱস্থা বছৰে বছৰে বেয়াৰ ফাললৈ আহিছে। গতিকে চৰকাৰে এই অবৈজ্ঞানীক কাম বিলাক পৰিহাৰ কৰি বৈজ্ঞানীক ভাবে বাকীবিলাক কাম কৰিবলৈ হাতত লব লাগে।

আকৌ মই মঙ্গলদৈ মহকুমাৰ কথা কওঁ। ইয়াত এনে কিছুমান খেতিৰ মাটি আছে যত জলসিঞ্চনৰ ব্যৱস্থা থিকমতে কৰিব পাৰিলে ভাল খেতি কৰিব পৰা যায়। কিন্তু দুখৰ বিষয় খেতিয়ক সকলৰ খেতিৰ কামত পানী যোগানৰ কাৰণে ভাল জলসিঞ্চনৰ ব্যৱস্থা নাই। বানপানীৰ সময়ত বানপানীয়ে খেতি নষ্ট কৰে আৰু খৰাং বটৰত খেতি কৰিবলৈ পানীৰ কাৰণে ৰাইজৰ হাহাকাৰ হয়। সেইকাৰণেই মই কব খুজিছো যে যদি বানপানী নিয়ন্ত্ৰণৰ ব্যৱস্থা ভাল কৰা নহয় তেনেহলে লাখ লাখ টকা খৰচ কৰিও ৰাইজৰ কল্যাণ সাধন কৰিব নোৱাৰিব।

( সময়ৰ সঙ্কেত )

তাৰপিচত মই চৰকাৰৰ মিতব্যয়িতাৰ বিষয়ে কব খুজিছো । সেইটো হৈছে flood damage Repairing ৰ বেচি তত্‌পৰতা দেখুৱাবলৈ গৈ বহুতো টকা অপব্যয় কৰা হয় বুলি যি অভিযোগ শুনা যায় সেইটো একেবাৰেই মিছা নহয় । বান-নিয়ন্ত্ৰণৰ অৰ্থে মঠাউৰী নিৰ্ম্মাণ আৰু বানপানীয়ে ভাঙি নিয়া মঠাউৰীৰ মেৰামতি কৰাত বিভাগীয় কৰ্ম্মচাৰী সকলৰ সততাই ( Honesty ) আগভাগ লব লাগিব । এই ক্ষেত্ৰত আৰু এটা কথা আছে । মঠাউৰী বান্ধোতে যিবিলাক মানুহৰ মাটি ললে সেই মানুহবিলাকে মাটিৰ বাবদ ক্ষতিপুৰণ হিচাবে যি পাব লাগিছিল সেইবিলাক পোৱা নাই, সেই ক্ষতিপূৰণ চৰকাৰে নিদিলে, ভবিষ্যতে নতুন মঠাউৰী নিৰ্ম্মাণ বা ভঙা মঠাউৰী মেৰামতিৰ কাৰণে মাটি নাপাব । গতিকে মই আশাকৰো এই সকলোবিলাক অভিযোগ নিষ্পত্তি কৰি টকা পইচাৰ ক্ষেত্ৰত এই বিভাগটো মিতব্যয়িতা অবলম্বন কৰক । তেতিয়াহলে মোৰ বিশ্বাস এইবিলাকৰ কাম ভাল হব আৰু ৰাইজৰো উপকাৰ হব । ইয়াকে কৈ মই Estimate committee ৰ এই Report টোৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলো ।

*Shri Bhubaneswar Borman :

মাননীয় চেয়াৰমেন ডাঙৰীয়া, আজিৰ এই সদনত E & D বিভাগটো লৈ মাননীয় সদস্য সকলে বহুতো বহুমুলীয়া সমালোচনা কৰি নানা ধৰনৰ পৰামৰ্শ আগ বঢ়াইছে, আৰু এই সৰ্ম্পকত আগতেও বহুতো মুল্যবান পৰামৰ্শ আগবঢ়াই আহিছে । কিন্তু অতি পৰিতাপৰ বিষয় যে সেই পৰামৰ্শ বিলাক চৰকাৰে গ্ৰহণ কৰি এটা সুস্থ আৰু সবল বিভাগ গঢ়ি তুলিব পৰা নাই । আজি সমগ্ৰ অসমতেই এফালে বান পানীৰ ধ্বংশ লীলা আৰু আনফালে খৰাং বতৰৰ তাণ্ডব লীলা । ৰাইজক জুৰুলা কৰি তুলিছে । ইয়াৰ ফলত বানপানীৰ অবাধ গতিয়ে ৰাইজৰ খেতি নষ্ট কৰিছে আৰু খৰাং বতৰত পানী যোগানৰ ব্যৱস্থা নোহোৱাৰ কাৰণে ঠিক তেনেকৈয়ে ৰাইজক জুৰুলা কৰিছে । আজি ৰাইজে বুজি পাইছে যে লাখ লাখ টকা খৰচ কৰি চৰকাৰে যিবিলাক কাম কৰিছে সেই বিলাক সম্পূৰ্ণ অবৈজ্ঞানিক আৰু তাৰ পৰা ৰাইজৰ কল্যান

*Speech not corrected

হোৱা দুৰৰ কথা দিনক দিনে ৰাইজক জুকুলাহে কৰিছে। এই বিলাক কাৰণত ৰাইজৰ উপকাৰ হওক চাৰি অপকাৰহে বেচি হৈছে।

আজি আমাৰ ব্ৰহ্মপুত্ৰ কমিশ্যন গঠিত হৈছে। ব্ৰহ্মপুত্ৰ কমিচন হোৱাৰ পিচত আমাৰ ৰাইজে ভাবিছিল যে E & D বিভাগৰ জৰিয়তে যিবিলাক দুস্ককাৰ্য্য হৈ গ'ল, ব্ৰহ্মপুত্ৰ কমিচন গঠিত হোৱাৰ পিচত নতুন উদ্যমেৰে নতুন কিছুমান পৰিকল্পনাৰে কাম কৰিব। কিন্তু এই আয়োগ গঠিত হোৱাত যিটো উৎসাহ অহাৰ কাৰণে আশা কৰিছিলো, কাৰ্য্যক্ষেত্ৰত আমি দেখি সচাকৈয়ে হতাশ হৈছো। গোটেই বিভগেটো অস্থিৰ অচল অৱস্থাত পৰিণত হৈছে। ব্ৰহ্মপুত্ৰ আয়োগে কাম কৰিব পৰা নাই, E & D বিভাগে কাম কৰিব পৰা নাই, অচল অৱস্থাত পৰিছে। ব্ৰহ্মপুত্ৰ আয়োগ আৰু E & D বিভাগৰ মাজত হেতা ওপৰা লগাত আৰু মত বিৰোধী হোৱাৰ কাৰণে আমি যি আশা পোষণ কৰিছো তাৰ পৰা বঞ্চিত কৰিছে। কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰ কমিচনৰ বাবে অধিক পৰিমাণৰ টকা দি আমাৰ বানপানীৰ যিটো বিৰাট সমস্যা তাক দুৰ কৰাৰ কাৰণে এই আয়োগটো অধিক শক্তিশালী কৰিব লাগে। কিন্তু সেইটো নকৰে। আজি আয়োগ গঠন কৰি দি ঠিক কৰিছে, কিন্তু ভাৰত চৰকাৰে যিটো আশ্বাস দিছিল কাৰ্য্য ক্ষেত্ৰত সেইটো তেওঁলোকে কৰা নাই। আৰু E & D বিভাগৰ যিবিলাক পূৰণি কাম সেই বিলাকো নিয়াৰিকৈ কৰিব পৰা নাই। কাম বিলাক বন্ধ হৈ থকাত গোটেই ৰাজ্যত অচল অৱস্থা হৈ পৰিছে। মোৰ সন্দেহ হৈছে যে ভাৰত চৰকাৰে হয়তো অসমৰ এই সমস্যাৰ ওপৰত আৰু এটা নতুন সমস্যাৰ সৃষ্টি কৰি অসমক বিপাঙত পেলোৱাৰ অভিসন্ধি কৰিছে। ব্ৰহ্মপুত্ৰ কমিচনৰ জৰিয়তে ভাৰত চৰকাৰে যিটো ভাল ভাৱ দিব বুলি ধাৰণা হৈছিল, তাক কাৰ্য্য ক্ষেত্ৰত আমি দেখিছো যে ভাৰত চৰকাৰে অসমক এটা ডাঙৰ বিপদত পেলাবৰ কাৰণে আৰু অসমে তেওঁলোকৰ ওচৰত আত্ম সমৰ্পন কৰাৰ কাৰণে এটা অভিসন্ধি চলাইছে যেন অনুমান হৈছে। সেইকাৰণে সময় থাকোতে আমাৰ এই সদনৰ যিটো মতামত এই বিষয়ে ভাৰত চৰকাৰক জনাব লাগে। যদি প্ৰকৃততে তেওঁলোকে অধিক টকা পইচা দি এই ব্ৰহ্মপুত্ৰ আয়োগে কাম কৰিব নোৱাৰে তেতিয়াহলে এটা এই বিভাগত অস্থিৰ অৱস্থাৰ সৃষ্টি কৰাৰ কোনো নৈতিক অধিকাৰ নাই।

মাননীয় চেয়াৰমেন চাৰ, আপুনি শুৰি আচৰিত হব যে পৰিকল্পনা বিহীন হিচাবে কাম কৰাৰ কাৰণে যিবিলাক বিশৃঙ্খলৰ সৃষ্টি হৈছে সেই বিষয়ে কেইবাজনো সদস্যই কৈ গৈছে। মই ঠিক তেনেকুৱা উদাহৰণ দিব খুজিছো যে আমাৰ বান নিয়ন্ত্ৰণৰ কাৰণে জলসিঞ্চনৰ ব্যৱস্থাত অধিক গুৰুত্ব দিছে হয়, কিন্তু খৰালি কালত খেতি কৰাৰ কাৰণে জলসিঞ্চনৰ ব্যৱস্থা ঠিক মতে কৰিব পৰা নাই। খৰালি কালত যদি খেতি কৰাৰ কাৰণে পানী যোগান ধৰিব পাৰিলে হেতেন তেন্তে আমাৰ দেশে উন্নতি কৰিব পাৰিলেহেতেন। আজি জলসিঞ্চনৰ ব্যৱস্থা যি ধৰণে কৰিব লাগিছিল, সেই ধৰণে কৰা নাই। মই Estimate কমিটিৰ লগত যাওতে যমুনা ইৰিগেচন প্ৰজেক্ট দেখিছো। কাগজ কলমত টকা পইচাৰ হিচাব ঠিকমতে আছে। কিন্তু ৰাইজৰ মুখত শুনিছো যে বাৰিষাৰ সময়ত পানী আছে; কিন্তু খৰালি তেওঁলোকে পানী নাপায়। ইমান টকা পইচা খৰছ কৰাৰ পিচত খেতিৰ বাবে পানীৰ ব্যৱস্থা নাই। নদীৰ কাষৰ ঠাইত অলপ সুবিধা হৈছে, কিন্তু আঁতৰত থকা বাম মাটিত পানীৰ ব্যৱস্থা নাই। তাতো পানীৰ ব্যৱস্থা কৰিব লাগে। তেতিয়াহলে ৰাইজৰ উপকাৰত আহিব আমাৰ এতিয়া কাম বিলাক বিশেষজ্ঞৰ জৰিয়তে কৰা হয়। আমি সাধাৰণতে এইটো আশা কৰো যে চৰকাৰে ইমান টকা-পইচা খৰছ কৰি যি আচনি হাতত লৈছে সেই আচনিৰ দ্বাৰা যাতে প্ৰকৃততে কাম হয়। কিন্তু সেইটো হোৱা নাই। বিশেষজ্ঞ সকলে যি কাম কৰে, সেই কাম যদি কাৰ্য্যকৰী কৰিবলৈ আগবাঢ়ি আছে তেন্তে তেওঁলোকৰ ওপৰত আস্থা থাকে। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখিছো যে তাৰ উলোটাটোহে হৈছে। যি সকলৰ বাবে লাখ লাখ টকা খৰছ কৰা হৈছে আৰু যি বিলাকৰ ওপৰত ইমান গুৰুদায়িত্ব অৰ্পন কৰিছে তেওঁলোকৰ যোগ্যতা আৰু বিদ্যা বুদ্ধিৰ ওপৰত সন্দেহ আছে, উপযুক্ততা আছে নে নাই সন্দেহ আছে। ৰাইজে মতামত দিয়ে মায়া জালৰ ওপৰত। আজি আমাৰ অসমত যিবিলাক জলসিঞ্চন ব্যৱস্থাৰ আঁচনি স্থগিত আছে তাক Survey কৰি যদি কাৰ্য্যকৰী কৰিলে হেতেন তেন্তে ৰাইজৰ মহৎ উপকাৰত আহিলেহেতেন। স্বাধীনতাৰ ২৩ বছৰৰ পিচতো আজি পিচপৰা অঞ্চলৰ মানুহে স্বাধীনতাৰ সোৱাদ কি তাক দেখা পোৱা নাই। সেই কাৰণে পোন প্ৰথমে খেতিয়ক বিলাকৰ উপকাৰৰ কাৰণে তেওঁলোকৰ মাটি ডৰাত পানী যোগান ধৰাৰ ব্যৱস্থা কৰক আৰু যি

খেতি পানীয়ে নষ্ট কৰে তাক ৰক্ষা কৰাৰ ব্যৱস্থা কৰক। এই দুয়োটা ব্যৱস্থা অন্ততঃ চৰকাৰে যদি কৰিব পাৰিলেহেতেন তেন্তে পিচপৰা অঞ্চলৰ ৰাইজে অন্তত: কব পাৰিলেহেতেন যে আমি স্বাধীন হৈছো আৰু স্বাধীন চৰকাৰৰ ব্যৱস্থাই আমাক আকৃষ্ট কৰিছে। কিন্তু সেইটো কৰিব নোৱাৰাত হতাশ হৈছো। এই বিভাগত কিমান লাখ টকা খৰছ হৈছে তাৰ হিচাব নাই। আগতে আমাৰ দেশত যিটো ক্ষতি হৈছিল আৰু এতিয়া লাখ লাখ টকা খৰছ কৰাৰ পিছত যিটো ক্ষতি হৈছে এই দুয়োটা যদি তুলনা কৰি চোৱা যায় তেতিয়াহলে দেখিম যে, এতিয়া কম ক্ষতি হোৱা নাই। কোটি কোটি টকা খৰছ হৈছে, কিন্তু যি উপকাৰৰ বিপৰীতে গৈছে, ৭০ ভাগ বদলি গৈছে। কাম কৰা বহুতো বিষয়া সুখ-সন্তোষত থাকিব পৰা অৱস্থাৰ সৃষ্টি কৰাত সক্ষম হৈছে।

(Bell)

মোক অলপ সময় লাগিব। এই বিভাগত কাম কৰিবলৈ অহাত যিবিলাক বিষয়া নিয়োগ কৰা হৈছে তাৰ কিছুমান নিয়ম আছে যে কৰ্মচাৰী বিলাকে তেওঁলোকৰ সম্পত্তিৰ হিচাব দিব লাগে। সেই সম্পত্তি হিচাবৰ যিটো নিয়ম তাক কৰাৰ কাৰণে এই চৰকাৰে যত্ন কৰা নাই আৰু কৰিবও নোখোজে। কাৰণ চৰকাৰ নিজে দুৰ্নীতিৰ ওপৰত প্ৰতিষ্ঠিত আৰু দুৰ্নীতিৰ যোগেদি তেওঁলোকে চলি থাকিব খুজিছে। দুৰ্নীতি পৰায়ন বিষয়াবোৰ তেওঁলোকৰ আত্মীয় কুটুম। এই আত্মীয় কুটুম সকলৰ অসন্তুষ্ট কৰিবৰ কাৰণে এই চৰকাৰ আগবাঢ়ি নাহে। এই দুৰ্নীতি পৰায়ন বিষয়া বিলাকে পাৰ্টি চলিবৰ কাৰণে পুঁজি সংগ্ৰহ কৰে। সেই কাৰণে দুৰ্নীতি পৰায়ন বিষয়া বিলাকক শাস্তি দিবৰ কাৰণে চৰকাৰ আগবাঢ়ি নাহে। আজি অসমৰ জনসাধাৰণৰ এই মনোভাৱ হৈ গৈছে যে চৰকাৰে দুৰ্নীতি নিবাৰণ কৰিব নোৱাৰে আৰু দুৰ্নীতি পৰায়ণ চৰকাৰী বিষয়াক শাস্তি দিয়াৰ কাৰণে চৰকাৰৰ ক্ষমতা নাই। সেই কাৰণে আজি এই সদনত জনসাধাৰণৰ প্ৰতিনিধি হিচাবে জনসাধাৰণৰ যি মনোভাৱ সেই মনোভাৱ ব্যক্ত কৰিছো। E&D বিভাগৰ বিষয়াসকলৰ যোগেদি এইদৰে দুৰ্নীতি কৰাৰ কাৰণে সুবিধা আছে। সেইবিলাক বিষয়াৰ ক্ষেত্ৰত অন্ততঃ তেওঁলোকৰ পৰিয়াল বৰ্গৰ নামত প্ৰত্যেকৰে কি কি সম্পতি

কেনেকৈ কৰিলে আৰু কিমান আছে তন্ন তন্নকৈ হিচাব ৰখাত চৰকাৰ আগবাঢ়ি আহক । এই ক্ষেত্ৰত অসমৰ জনসাধাৰণে সহায় কৰিব আৰু দুৰ্নীতি নিবাৰণ কৰাত আগবাঢ়ি আহিব ।

Mr. Chairman :

Order, Order. I am Sorry, I could not accommodate the hon. Members from Sorbhog and Choygaon constituencies to-day. On the next Private Members' day Shri Barman will contiaue and then the hon. Members from Sorbhog and Choygaon will be given chance to speak.

## ADJOURNMENT

The Assembly then adjourned till 10 A. M. on Wednesday the 9th December 1970.

U. Tahbilder,
Secretary,
Legislative Assembly, Assam.

Shillong
The 8th Dec. 1970